# গৌহাটী উচ্চ ন্যায়ালয়

(মহামান্য ন্যায়াধীশ ডেকাৰ বিচাৰপীঠত, মহামান্য মুখ্য ন্যায়াধীশ থাডানী আৰু মহামান্য ন্যায়াধীশ ৰাম লাভায়াৰ (ৰায়ৰ পাৰ্থক্যৰ ওপৰত)

কচু গগৈ ... আবেদনকাৰী;

বনাম

ৰাজ্য চৰকাৰ

ফৌজদাৰি পুনৰীক্ষণ আবেদন নম্বৰ: ৮৭, ১৯৫০

ৰায় প্ৰদানৰ তাৰিখ: ১৯৫১ চনৰ ১৪ মে' আৰু ১৯৫১ চনৰ ৫ জুলাই

ৰায়দান প্ৰদান কৰা হৈছিল:

ন্যায়াধীশ ৰাম লভায়াৰ দ্বাৰা :– আৱেদনকাৰী কচু গগৈ আৰু লগতে বাপুৰাম দুৱৰাক ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত দোষী সাব্যস্ত কৰা হয়। তেওঁক ৩ মাহৰ সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হয় আৰু ২০০ টকা জৰিমনা বিহা হয়। বিচাৰ আদালতৰ দণ্ডাধীশৰ আদেশৰ বিৰুদ্ধে বাপুৰাম আৰু কচু গগৈ দুয়ো আবেদন জনায়। বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশ, ইউ.এ.ডি.য়ে দোষী সাব্যস্তকৰণ আৰু কাৰাদণ্ডৰ শাস্তি বাহাল ৰাখে যদিও গোচৰৰ জৰিমনা ৫০ টকালৈ হ্ৰাস কৰে আৰু জৰিমণা অনাদায়ে আৰু ১ মাহৰ বাবে কঠোৰ কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰে। অকল কচু গগৈয়ে এই আদালতত পুনৰীক্ষণ আবেদন দাখিল কৰিছে।

২) এই ঘটনাটো ১৯৪৮ চনৰ ২১ আগষ্টৰ পিছৰ নিশা প্ৰায় ২ বজাত সংঘটিত হোৱা বুলি কোৱা হৈছিল। গোচৰীয়া পক্ষৰ মতে অভিযোগকাৰী গুণাৰাম গগৈৰ ঘৰত বাপুৰামক ধৰা হৈছিল। তেওঁ চিঞৰ-বাখৰ কৰে আৰু গাঁওবুঢ়াকো ঘটনাৰ বিষয়ে খবৰ দিয়ে। পিছত তেওঁ ঘটনাস্থলীলৈ আহি শিৱসাগৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ এক প্ৰতিবেদন লিখে। এই লিখিত প্ৰতিবেদন তেওঁ অভিযোগকাৰীক দিছিল আৰু অভিযোগকাৰীয়ে সেইখন থানাত দাখিল কৰিছিল। বিচাৰ আদালতত প্ৰতিবেদনখন প্ৰদৰ্শক ১ হিচাপে চিহ্নিত কৰা হৈছিল। এই প্ৰতিবেদনখনত নাগা ৰাম গাওঁবুঢ়া আৰু অন্য ৬ জন ব্যক্তিৰ চহী আছে। এই প্ৰতিবেদনখনৰ মতে নিশা ২ বজাত গুণাৰামৰ ঘৰত বেৰ ভাঙি এজন চোৰে প্ৰৱেশ কৰে। তেঁওক ধৰা হৈছিল আৰু তেওঁক আটক কৰি ৰখা হৈছিল। আন এজন চোৰ পলাই যোৱা বুলি উল্লেখ কৰা হৈছে।আটক কৰি থোৱা মানুহজনক থানালৈ লৈ যাবলৈ আৰক্ষীক অনুৰোধ জনোৱা হয়। এই লিখিত প্ৰতিবেদন যেতিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক দিয়া হৈছিল, তেতিয়া অভিযোগকাৰীক তলত দিয়া প্ৰশ্নটো সোধা হৈছিল:

"এই এজাহাৰ কোনে লিখিছে আৰু ঘটনাটোৰ বিষয়ে আপুনি কি জানে?"

এই প্ৰশ্নৰ উত্তৰত অভিযোগকাৰীয়ে বিতংভাবে তেঁওৰ জবানবন্দী আগবঢ়ায়। তেওঁ আৰক্ষীক জনাইছিল যে প্ৰদৰ্শক ১খন গাওঁবুঢ়াই গোট খোৱা আন লোকৰ উপস্থিতিত তেওঁ যোগান ধৰা তথ্যৰ ওপৰত ভিত্তি কৰি লিখিছিল। তেওঁ আৰু কয় যে বাপুৰাম আৰু কচু গগৈয়ে তেওঁৰ ঘৰত বেৰ ভাঙি প্ৰৱেশ কৰিছিল। তেওঁলোকে তেওঁৰ বাকচ আৰু তেওঁৰ অন্যান্য সম্পত্তি চুৰি কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ সাৰ পাই হৈ দুয়োকে ধৰিলে। টৰ্চৰ

পোহৰত তেঁও সিহঁতক চিনি পাইছিল। তেঁও সহায়ৰ বাবে চিঞৰিছিল। কচু গগৈয়ে তেঁওৰ কঁকালত এডাল লাঠিৰে আঘাত কৰি পলাই গ'ল। কিন্তু তেওঁ বাপুৰামে পিন্ধা ধুতি টানি ধৰি বাপুৰামক ধৰি ৰাখিব পাৰিছিল। গাঁৱৰ মানুহ আহিছিল আৰু ঘটনা দেখিছিল। তেওঁৰ ঘৰৰ পৰা একো চুৰ কৰিব পৰা নাছিল। বাপুৰাম গাওঁবুঢ়াৰ জিম্মাত আছে বুলি কোৱা হৈছিল। আন এটা প্ৰশ্নৰ উত্তৰত তেওঁ কৈছিল যে বাপুৰামে ছোৱালীজনীক (মানে ভনীয়েকক) অপহৰণ কৰিবলৈ আহিছিল।

৩) প্ৰয়োজনীয় তদন্তৰ অন্তত কেৱল বাপুৰামক বিচাৰৰ বাবে প্ৰেৰণ কৰা হয়। অভিযোগনামাৰ ২ নং স্তম্ভত কোৱা হৈছিল যে কচু গগৈক গ্ৰেপ্তাৰ কৰি আদালতলৈ পঠোৱা হোৱা নাছিল । ১৯৪৮ চনৰ ৩ ছেপ্টেম্বৰত আদালতত অভিযোগনামা লাভ কৰাৰ পিছত গোচৰটো মহকুমাধিপতিলৈ প্ৰেৰণ কৰা হয় আৰু তেওঁ দুবাৰকৈ শুনানি স্থগিত ৰাখে। ১৯৪৮ চনৰ ২৫ নৱেম্বৰত গোচৰীয়া পক্ষৰ দুজন সাক্ষীক সোধ-পোছ কৰা হয়। এইসকল আছিল গুণাৰাম গগৈ আৰু আলম গগৈ। ইয়াৰ পিছতে বিদ্বান দণ্ডাধীশগৰাকীয়ে কচু গগৈৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱাৰ ভিত্তি থকা যেন অনুভব কৰি আৰক্ষীক তেওঁৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰাৰ নিৰ্দেশ দিয়ে। এই আদেশ অনুসৰি কচু গগৈৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয় আৰু দুয়োজন অভিযুক্তক দোষী পোৱা যায়।

৪) ১৯৪৮ চনৰ ২৫ নৱেম্বৰত আৰক্ষীক অভিযোগনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়া আদেশৰ পূৰ্বে বিদ্বান দণ্ডাধীশে সোধ-পোছ কৰা সাক্ষী দুজনক আৰক্ষীয়ে সোধ-পোছ কৰিছিল। ইয়াৰ পিছতো তদন্তকাৰী বিষয়াই কচুক গ্ৰেপ্তাৰ কৰা নাছিল বা তেঁওৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা

নাছিল। এইটো অনুমান কৰাটো নিৰাপদ যে তেঁওৰ মতে বিচাৰত ন্যায্যতা প্ৰদান কৰিব পৰাকৈ গোচৰত উপলব্ধ সমল নাছিল। বিদ্বান দণ্ডাধীশজনে মাত্ৰ দুজন সাক্ষীক পৰীক্ষা কৰাৰ পিছত লক্ষ্য কৰিলে যে তেওঁৰ বোধেৰে কচু গগৈৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱাৰ সমল আছে আৰু তেওঁৰ মতামতৰ ভিত্তিত অভিযোগ পত্ৰ দাখিল কৰা হৈছিল যিটো আৰক্ষীয়ে দাখিল কৰাৰ পৰা বিৰত আছিল।

৫) আবেদনকাৰীৰ বিদ্বান অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰিছে যে বিদ্বান বিচাৰ দণ্ডাধীশে আবেদনকাৰীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দি ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(গ) ধাৰাৰ অধীনত নিজৰ ক্ষমতা প্ৰয়োগ কৰিছিল যদিও কাৰ্য্যবিধিৰ ১৯১ নং ধাৰাত উল্লেখ কৰা নিৰ্ধাৰিত পদ্ধতি পালন নকৰাকৈ তেঁও সেইয়া কৰিছিল ।

৬) এই যুক্তিৰ যথেষ্ট ভিত্তি আছে। আৰক্ষীয়ে কেৱল বাপুৰামৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিলে। কচু গগৈৰ বিৰুদ্ধে গোচৰ ৰুজু হোৱা নাছিল। বিদ্বান দণ্ডাধীশে সেই পৰ্যায়ত আৰক্ষীৰ চূড়ান্ত প্ৰতিবেদন বিবেচনা কৰি কচুৰ বিৰুদ্ধেও অভিযোগনামা দাখিল কৰাৰ নিৰ্দেশ দিয়া নাছিল। এইদৰে তেওঁ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৭৩ নং ধাৰাত আৰক্ষীৰ সৈতে কোনো ধৰণৰ মতানৈক্যৰ ভিত্তিত কচু গগৈক হাজিৰ কৰিবলৈ আৰক্ষীক কোনো নিৰ্দেশ দিয়া নাছিল। ইয়াৰ বিপৰীতে তেওঁ আৰক্ষীয়ে দাখিল কৰা অভিযোগনামা অনুসৰি বাপুৰামৰ বিৰুদ্ধে গোচৰটো চলাইছিল আৰু সাক্ষীক সোধ-পোছ কৰিছিল। দুজন সাক্ষীক পৰীক্ষা কৰাৰ পিছত তেওঁ লিপিবদ্ধ কৰা সাক্ষ্যপ্ৰমাণৰ ভিত্তিত তেওঁ এই সিদ্ধান্তত উপনীত হয় যে কচুৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ সমল আছে আৰু তাৰ ভিত্তিত তেওঁ আৰক্ষীক

কচুৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। এইটো স্পষ্ট যে তেওঁৰ এই নিৰ্দেশ কোনো আৰক্ষীৰ প্ৰতিবেদনৰ ওপৰত নহয় বৰঞ্চ তেওঁৰ সন্‌মুখত দাখিল কৰা সাক্ষ্যপ্ৰমাণৰ ওপৰত ভিত্তি কৰি দিয়া হৈছিল। তেওঁৰ নিৰ্দেশনা মানি পৰৱৰ্ত্তী শুনানিৰ সময়ত অভিযোগনামা দাখিল কৰা হয় আৰু কচুকো হাজিৰ কৰা হয়। কাৰ্যতঃ আদালতে আৰক্ষীক অভিযোগনামা দাখিল কৰাৰ নিৰ্দেশ দিয়া কাৰ্য্য কচুৰ বিৰুদ্ধে তেওঁৰ অনুপস্থিতিত লিপিবদ্ধ সাক্ষ্যপ্ৰমাণৰ ভিত্তিত তেওঁক আদালতলৈ চমন দিয়াৰ দৰে আছিল। সেয়েহে বিদ্বান দণ্ডাধীশগৰাকীয়ে কচুৰ বিৰুদ্ধে কোনো প্ৰতিবেদনৰ ভিত্তিত নহয় বৰঞ্চ তেওঁৰ সন্‌মুখত দাখিল কৰা সাক্ষ্যপ্ৰমাণৰ ভিত্তিত ব্যৱস্থা লৈছিল। কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিবলৈ কোনো দণ্ডাধীশক সংহিতাই স্পষ্টভাৱে কৰ্তৃত্ব প্ৰদান নকৰে। কিছুমান ক্ষেত্ৰত দণ্ডাধীশক কিছুমান গোচৰৰ তদন্তৰ বাবে আৰক্ষীক নিৰ্দেশ দিবলৈ কৰ্তৃত্ব দিয়া হয়। আনকি এনে ক্ষেত্ৰতো আৰক্ষীয়ে নিজৰ সিদ্ধান্তত উপনীত হোৱাৰ অধিকাৰ আছে আৰু দণ্ডাধীশে তেওঁলোকক কোনো ব্যক্তিৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিবলৈ নিৰ্দেশ দিব নোৱাৰে যেতিয়া তেওঁলোকৰ মতে তেওঁৰ বিৰুদ্ধে কোনো গোচৰ ৰুজু কৰিবলৈ সমল নাই। কোনো ব্যক্তিৰ বিৰুদ্ধে ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰাৰ সময়ত এজন দণ্ডাধীশে সঠিক আইনী পদ্ধতি অনুসৰণ কৰিব লাগে, বিশেষকৈ নিশ্চিত কৰিব লাগে যাতে অভিযুক্তই ধাৰা ১৯০ (গ) আৰু ১৯১ত উল্লেখ কৰা পদ্ধতিগত সুৰক্ষাৰ সুবিধা লাভ কৰে। দণ্ডাধীশে আৰক্ষীৰ পৰা অভিযোগনামা দাবী কৰাটো ন্যায্য নহ'য় কাৰণ ইয়াৰ ফলত অভিযুক্ত ১৯১ নং ধাৰাত তেওঁৰ গোচৰৰ বিচাৰ আন এজন দণ্ডাধীশ বা সত্ৰ আদাতত কৰিবলৈ দিব পৰা বিশেষাধিকাৰৰ পৰা বঞ্চিত হ'ব। আনকি য'ত

দণ্ডাধীশে আৰক্ষীৰ পৰা অভিযোগনামা লাভ কৰিছে, তেনে ক্ষেত্ৰতো কাৰ্যবিধি আৰম্ভ কৰাৰ বাবে দণ্ডাধীশ সঁচাকৈয়ে দায়বদ্ধ আৰু সেইবাবেই তেওঁ গোচৰটোৰ বিচাৰ কৰিবলৈ যোগ্য নহ'ব। অভিযুক্তই গোচৰটো আন কোনো দণ্ডাধীশলৈ হস্তান্তৰ কৰাৰ অধিকাৰ থাকিব কাৰণ একেটা গোচৰতে দণ্ডাধীশজন অভিযুক্তৰ বিৰুদ্ধে গোচৰ দাখিল কৰিব আৰু সেই গোচৰতে ন্যায়াধীশ হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰিব নোৱাৰে। আইনখনৰ এই দৃষ্টিভংগীয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ৫৫৬ নং ধাৰাটোৰ বাখ্যাৰ পৰা যথেষ্ট সমৰ্থন লাভ কৰে। এই ব্যাখ্যা অনসৰি, যিজন সংগ্ৰাহকে তেওঁক প্ৰদান কৰা তথ্য বিবেচনা কৰি আবকাৰী আইন উলংঘাৰ বাবে বিচাৰৰ নিৰ্দেশ দিয়ে, তেনে ক্ষেত্ৰত তেওঁ দণ্ডাধীশ হিচাপে গোচৰটো বিচাৰৰ বাবে অযোগ্য হ'ব। গতিকে যি ক্ষেত্ৰত দণ্ডাধীশে তেওঁ নিজে লাভ কৰা তথ্যৰ বিবেচনাৰ পিছত গোচৰীয়া পক্ষক নিৰ্দেশ দিয়ে, তেনে ক্ষেত্ৰত ৫৫৬ নং ধাৰাত দিয়া ব্যাখ্যা প্ৰযোজ্য নহ'ব ।

৭) 'নেক ৰাম বনাম সম্ৰাট'ত এ.আই.আৰ. (১৮) ১৯৩১ অল ২৭৩ গোচৰত আৰক্ষীৰ ডায়েৰী চাই দণ্ডাধীশে কিছুমান নকল মুদ্ৰা দেখাৰ পিছত এই সিদ্ধান্তত উপনীত হয় যে আৰক্ষীয়ে তদন্ত সঠিকভাৱে কৰা নাই। তেওঁ নথিসমূহ আৰক্ষী অধীক্ষকক ঘূৰাই দিছিল আৰু যদিও তেওঁ লিখিতভাৱে আৰক্ষীক আন কোনো ব্যক্তিৰ বিৰুদ্ধে গোচৰ চলাবলৈ পৰামৰ্শ দিয়া নাছিল, তথাপিও দেখা গ'ল যে দণ্ডাধীশে আন এজন ব্যক্তিৰ বিৰুদ্ধে গোচৰ চলোৱাৰ কথা ভাবিছিল, যাৰ বিৰুদ্ধে কোনো অভিযোগনামা দাখিল কৰা হোৱা নাছিল। ফলত দ্বিতীয়জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়। ৰায় দিয়া হৈছিল যে দণ্ডাধীশৰ বাবে সঠিক

পদ্ধতি হ’ল ১৯০(i)(গ) ধাৰাত ব্যৱস্থা গ্ৰহণ কৰা যাতে অভিযুক্তই ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰাত থকা বিধানসমূহৰ সুবিধা ল’ব পাৰে। যিহেতু, সেই গোচৰত সঠিক পদ্ধতি অনুসৰণ কৰা হোৱা নাছিল, সেয়েহে গোচৰটো আন এজন দণ্ডাধীশলৈ হস্তান্তৰ কৰাৰ নিৰ্দেশ দিয়া হৈছিল।

৮) মহম্মদ ছাদিক বনাম সম্রাট’, এআইআৰ (২৫) ১৯৩৮ লাহ ১৯ গোচৰত ন্যায়াধীশ কল্ডষ্ট্ৰিমে এই মতামত প্ৰকাশ কৰিছিল যে যেতিয়া কোনো ব্যক্তিৰ বিৰুদ্ধে দণ্ডাধীশৰ অনুৰোধত অভিযোগনামা দাখিল কৰা হয় আৰু তাৰ পিছত গোচৰটো তেনেকুৱা অভিযোগনামাৰ ভিত্তিত কৰা হৈছে বুলি ধৰা হয় আৰু যদিও আপাত দৃষ্টিত গোচৰটো আৰক্ষীৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কৰা হৈছে, তেনে ক্ষেত্ৰত দণ্ডাধীশৰ কাৰ্য্যক এই ধৰণে বিবেচনা কৰা হয় যে তেওঁ ধাৰা ১৯০(i)(গ)ৰ অধীনত আইনী কাৰ্য্যবিধিৰ বাবে গোচৰটোক স্বীকৃতি দিছিল কাৰণ তেঁওৱেই আইনী প্ৰক্ৰিয়া প্ৰ্থমাৱস্থাত আৰম্ভ কৰিছিল। তেওঁৰ মতে এজন অভিযুক্ত ব্যক্তিয়ে এনে পৰিস্থিতিত গোচৰটো আন কোনো দণ্ডাধীশলৈ হস্তান্তৰ কৰিবলৈ অধিকাৰপ্ৰাপ্ত হ’ব আৰু দণ্ডাধীশে ১৯১ নং ধাৰাৰ অধিনৰ বিধানসমূহ মানি চলাত ব্যৰ্থ হ’লে আদালতৰ সমগ্ৰ কাৰ্য্যবিধিৰ ক্ষতি হ’ব। ১৯১ নং ধাৰাত নীতি প্ৰয়োগ কৰি তেওঁ গোচৰৰ কাৰ্য্যবিধি বাতিল কৰি পুনৰ বিচাৰৰ নিৰ্দেশ দিয়ে। এই গোচৰত দণ্ডাধীশে আৰক্ষীক আবেদনকাৰীক জিম্মাত ল’বলৈ আৰু তদন্তৰ পিছত সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁ অভিযোগনামা জমা দিবলৈ নিৰ্দেশ দিয়া নাছিল। তেওঁ কেৱল আইনী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে দায়বদ্ধ আছিল। তথাপিও গোচৰটোত ১৯১ নং ধাৰাৰ নীতি প্ৰয়োগ কৰা হৈছিল।

৯) 'গুণ্ডো চিক্কো বনাম সম্রাট', এআইআৰ (৮) ১৯২১ বম ৩৬৫ গোচৰত এজন দণ্ডাধীশে চুৰিৰ গোচৰত গোচৰীয়া পক্ষৰ এজন সাক্ষীৰ সন্দৰ্ভত ভাৰতীয় দণ্ডবিধিৰ ৪১৪ নং ধাৰাত অভিযোগনামা প্ৰেৰণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছিল যিটো গোচৰৰ শুনানী তেওঁৰ সন্মুখত আদালতত কৰা হৈছিল। তেওঁৰ নিৰ্দেশনা অনুসৰি আৰক্ষীৰ পৰা অভিযোগনামা লাভ কৰাৰ পিছত তেওঁ গোচৰটোৰ বিচাৰ কৰি তেওঁক দোষী সাব্যস্ত কৰে। দণ্ডাধীশে গোচৰটোক ১৯০(খ) ধাৰাত আইনী কাৰ্য্যবিধিৰ বাবে স্বীকৃতি দিছিল। ইয়াৰ উপৰিও কোৱা হৈছিল যে দণ্ডাধীশে আৰক্ষীক আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰাই বুজা যায় যে সেই সময়ত দণ্ডাধীশে গোচৰটোৰ ক্ষেত্ৰত আইনী কাৰ্য্যবিধিৰ বাবে স্বীকৃতি দিয়া নাছিল আৰু আৰক্ষীৰ প্ৰতিবেদন লাভ কৰাৰ পিছতহে তেওঁ আইনী কাৰ্য্যবিধিৰ বাবে স্বীকৃতি দিছিল। সেয়েহে এই গোচৰটো ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(খ) ধাৰাৰ অধীনত পৰে বুলি ধৰা হৈছিল। কিন্তু একে সময়তে এইটোও নিৰ্ধাৰণ কৰা হৈছিল যে দণ্ডাধীশজনে একে সময়তে গোচৰটোত অভিযুক্তৰ বিৰুদ্ধে গোচৰ দাখিল কৰিব আৰু সেই গোচৰতে ন্যায়াধীশ হ'ব নোৱাৰে। এই ভিত্তিতে দোষী সাব্যস্ত হোৱা ৰায় বাতিল কৰা হ'ল।

১০) তেওঁৰ ব্যাখ্যাত বিদ্বান দণ্ডাধীশে কৈছে যে আবেদনকাৰীৰ বিৰুদ্ধে গোচৰটোত তেওঁ যি ব্যৱস্থা গ্ৰহণ কৰিছিল সেয়া ১৯০(খ) ধাৰাত পৰিব। তেওঁ কিছুমান বিশেষ কৰ্তৃপক্ষৰ কথা উল্লেখ কৰিছে। তেওঁ উল্লেখ কৰা উপলব্ধ তিনিটা গোচৰ মই চালি- জাৰি চাইছো- 'জগত চন্দ্ৰ বনাম ৰাণী সম্ৰাজ্ঞী', ২৬ কেল ৭৮৬, 'চাৰু চন্দ্ৰ দাস বনাম নৰেন্দ্ৰ কৃষ্ণ', ৪ চি ডব্লিউ এন ৩৬৭ আৰু 'দেদাৰ বাক্স বনাম স্যামপদা মালাকাৰ', ৪১ কেল

১০১৩। এইবোৰে তেওঁৰ মতামতক সমৰ্থন নকৰে। ওপৰত উল্লেখ কৰা 'বম্বে কেছ', এআইআৰ (৮) ১৯২১ বম ৩৬৫ অৱশ্যে এই দৃষ্টিভংগীৰ বাবে কৰ্তৃত্বশীল যে যেতিয়া আৰক্ষীৰ পৰা অভিযোগনামা লাভ কৰাৰ পিছত গোচৰত আইনী কাৰ্য্যবিধিৰ চলোৱাৰ বাবে স্বীকৃতি দিয়া হয়, এনে স্বীকৃতি ১৯০ (গ) ধাৰাৰ অধীনত নহয়, ১৯০ (খ) ধাৰাৰ অধীনতহে বুলি গণ্য কৰা উচিত। এই ক্ষেত্ৰত পৰিস্থিতি অলপ বেলেগ। বিদ্বান দণ্ডাধীশগৰাকীয়ে অভিযোগনামা লাভ কৰাৰ আগতেই তেওঁ লিপিবদ্ধ কৰা সাক্ষ্যপ্ৰমাণৰ ভিত্তিত মতামত প্ৰকাশ কৰিছিল যে আবেদনকাৰীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিব পাৰি। এই পৰিস্থিতিত তেওঁ আৰক্ষীক অভিযোগনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ অৰ্থ আৰক্ষীৰ জৰিয়তে অভিযুক্তক আদালতলৈ চমন দি মাতি অনা আদেশতকৈ কম নহয়। কিন্তু আমি ইমান দূৰলৈ গৈ *বম্বেৰ* মতামতক কাৰ্যকৰী নকৰিলেও বুজিব পাৰো যে একে সময়তে দণ্ডাধীশে গোচৰটোত অভিযুক্তৰ বিৰুদ্ধে গোচৰ দাখিল কৰিব আৰু ন্যায়াধীশ হ'ব নোৱাৰাৰ কাৰণে দণ্ডাধীশক গোচৰৰ বিচাৰৰ পৰা অযোগ্য ঘোষণা কৰা হৈছিল। তেতিয়া দণ্ডাধীশৰ অযোগ্যতা এই কথাৰ পৰাই উদ্ভৱ নহ'ব যে গোচৰত আইনী কাৰ্য্যবিধিৰ চলোৱাৰ বাবে স্বীকৃতি ১৯০ (গ) ধাৰাৰ অধিনত দিয়া হৈছিল, বৰঞ্চ এই কথাটোৰ পৰা অযোগ্যতা উদ্ভৱ হ'ব যে আইনী প্ৰক্ৰিয়াৰ উৎপত্তিকাৰী হিচাপে তেওঁ গোচৰটোৰ বিচাৰ কৰিবলৈ যোগ্য নাছিল।

১১) যদি লাহোৰৰ মতামত অনুসৰণ কৰা হয় তেন্তে ১৯১ নং ধাৰাটোৰ নীতি প্ৰযোজ্য হ'ব। যদিহে বোম্বাইৰ মতামত লোৱা হয় তেন্তে ফৌজদাৰী কাৰ্য্যবিধিৰ ৫৫৬ নং ধাৰাত সন্নিৱিষ্ট নীতি অনুসৰি দণ্ডাধীশক গোচৰ

বিচাৰৰ কৰিবলৈ অযোগ্য ঘোষণা কৰা হ'ব। যিটো মতামতেই গ্ৰহণ কৰা নহওক, দণ্ডাধীশৰ গোচৰ বিচাৰৰ অযোগ্যতা একেই থাকিব। যদিহে নিৰ্ণয় কৰা হয় যে দণ্ডাধীশৰ কাৰ্য্যসমূহ ফৌজদাৰী কাৰ্য্যবিধি ১৯০(গ) ধাৰাৰ অধীনত পৰে, তেন্তে আইনী প্ৰক্ৰিয়া (বিচাৰ)ৰ সঠিক অধিকাৰ বা কৰ্তৃত্বৰ অভাৱ হ'ব। কাৰণ, দণ্ডাধীশৰ নিজা প্ৰতিবেদনৰ ভিত্তিত দৃঢ়তাৰে কোৱা হৈছে যে দণ্ডাধীশৰ হাতত প্ৰাদেশিক চৰকাৰৰ পৰা অপৰাধটো স্বীকৃতি দিবলৈ আৰু ধাৰা ১৯০(গ)ৰ অধীনত আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় অনুমোদন নাছিল, যিটো ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ ধাৰা, উপ-(৩) ধাৰা মতে প্ৰয়োজনীয়। মোৰ এনে লাগে যে বিষয়টোৰ সম্ভাব্য দৃষ্টিভংগীৰে দণ্ডাধীশজন আবেদনকাৰীৰ বিচাৰ কৰিবলৈ যোগ্য নাছিল। সেয়েহে এই ভিত্তিত দোষী সাব্যস্ত হোৱাটো বাতিল কৰিব লাগিব।

১২) তেতিয়া এই প্ৰশ্নটো উত্থাপন হ'ব যে এইটো এটা উপযুক্ত গোচৰ নেকি য'ত অভিযুক্তক পুনৰ বিচাৰ কৰিবলৈ যোগ্য আদালতে নিৰ্দেশ দিব পাৰে। এই প্ৰশ্নটো মই ভালদৰে বিবেচনা কৰিছো আৰু মোৰ মতে গোচৰীয়া পক্ষৰ হাতত উপলব্ধ সমলে এই পন্থা গ্ৰহণৰ ন্যায্যতা প্ৰদান নকৰে।

১৩) বিচাৰ আদালতত চলা গোচৰটো এই যে ঘটনাৰ নিশা প্ৰায় ২ বজাত অভিযোগকাৰীজন মূৰৰ ওচৰত টিনৰ বাকচ পৰি টোপনিৰ পৰা সাৰ পাই উঠিছিল। টৰ্চটো জ্বলাই দি তেওঁ বাপুৰামৰ সৈতে আবেদনকাৰীজনক নিজৰ শোৱা কোঠাৰ ভিতৰতে দেখিলে। বাপুৰামৰ ধুতি আৰু কচুৰ হাতখন টানি ধৰি তেঁও সহায়ৰ বাবে চিঞৰিছিল। তাৰ পিছত বাপুৰাম আৰু কচু গৈগে দুয়োজনে তেওঁক চোতাললৈ টানি উলিয়াই আনে আৰু কচুৱে নিজকে

তেঁওৰ কবলৰ পৰা মুকলি কৰিবলৈ সক্ষম হ'ল। সি অভিযোগকাৰীক নিজৰ লাঠিৰে আঘাত কৰিলে (প্ৰদৰ্শক ১)। অভিযোগকাৰীয়ে লাঠিডাল ধৰিলে আৰু একে সময়তে বাপুৰামক ধৰি ৰাখিলে। এনেতে পুনেশ্বৰ, উলমা গগৈ আৰু মিঠাৰাম তালৈ আহিল। তেওঁলোকৰ পিছে পিছে আন লোকো আহিল। এই মানুহবোৰ অহাৰ সুযোগতে কচু পলাবলৈ সক্ষম হ'ল। অভিযোগকাৰীৰ মতে অভিযুক্তজনে বেৰ কাটি শোৱা কোঠাত প্ৰৱেশ কৰিছিল আৰু সেই ফুটাটোৰেই তেওঁক টানি লৈ যোৱা হৈছিল। তাৰ পিছত চৰকাৰি গাঁওবুঢ়া... (মূল লিখনিত অসম্পুৰ্ণ বাক্য).. বাপুৰামক গোট খোৱা লোকসকলৰ জিম্মাত ৰখা হৈছিল। ইয়াৰ পিছতে গাঁওবুঢ়াই এটা প্ৰতিবেদন লিখি উলিয়ায় আৰু অভিযোগকাৰীক সেইখন থানালৈ নিবলৈ কয়। তেওঁ (অভিযোগকাৰী) আৰক্ষী বিষয়াজনক প্ৰতিবেদন দিলে আৰু আৰক্ষী বিষয়াজনে তেওঁক কিছুমান প্ৰশ্ন সুধিলে যিবোৰ প্ৰশ্নৰ উত্তৰ তেওঁ দিলে। তেওঁ আৰক্ষী বিষয়াজনে লিপিবদ্ধ কৰা তেঁওৰ জবানবন্দীত স্বাক্ষৰ কৰে।

১৪) আদালতত দিয়া অভিযোগকাৰীৰ সাক্ষ্য অনুসৰি দেখা যায় যে অন্ততঃ পুনেশ্বৰ, আলম গগৈ আৰু মিঠাৰামে অভিযুক্ত কচুক পলাই যোৱা দেখিছিল। তেওঁ কোৱা নাই যে এই সাক্ষীসকলৰ কোনো এজনে কচুৱে তেওঁক লাঠিৰে আঘাত কৰা দেখিছিল। তেওঁ কয় যে অন্য লোক আহিছিল আৰু তাৰ পিছত অভিযুক্ত পলাই গৈছিল। কিন্তু তেওঁলোকৰ নাম তেওঁ উল্লেখ কৰা নাই। সেয়েহে গুৰুত্বপূৰ্ণ সাক্ষীসকল হ'ল পুনেশ্বৰ, উলমা গগৈ আৰু মিঠাৰাম। অভিযোগকাৰীৰ উপৰিও আন সাক্ষীসকল হ'ল ৰত্ন গগী আৰু গাঁওবুঢ়া।

১৫) বিচাৰ আদালতৰ দণ্ডাধীশে গোচৰটো গোচৰীয়া পক্ষৰ সাক্ষ্যৰ দ্বাৰা যথাযোগ্যভাবে প্ৰমাণিত হোৱা বুলি বিবেচনা কৰিছিল। এই আপীলৰ সিদ্ধান্তৰ ক্ষেত্ৰত বিজ্ঞ অতিৰিক্ত সত্ৰ ন্যায়াধীশজনে গোচৰীয়া পক্ষৰ ২,৫ আৰু ৬ নম্বৰ সাক্ষীৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁৰ মতে তেওঁলোকৰ সাক্ষ্যই অভিযোগকাৰীৰ ভাষ্যক প্ৰমাণ কৰিছিল। তলৰ আদালতসমূহে সামগ্ৰিকভাৱে গোচৰীয়া পক্ষৰ সাক্ষ্য বিবেচনা কৰিছিল। দুয়ো অভিযুক্তৰ মাজত তেঁওলোকে কোনো ধৰণৰ পাৰ্থক্য কৰা নাছিল। তেওঁলোকৰ গোচৰসমূহ পৃথকে বিবেচনা কৰা হোৱা নাছিল।

১৬) এতিয়া আমাৰ সন্‌মুখত প্ৰশ্নটো এইটো নহয় যে বাপুৰামৰ ক্ষেত্ৰত গোচৰীয়া পক্ষৰ সাক্ষ্য কিমান দূৰ সত্য। আমি মাত্ৰ চাব লাগিব যে কচু গগৈয়ে কোনো অপৰাধত অংশগ্ৰহণ কৰিছিল নেকি যিটো প্ৰমাণিত তথ্যই প্ৰকাশ কৰিব পাৰে। এই ঘটনাটো পুৱা ২ বজাত সংঘটিত হোৱা বুলি কোৱা হৈছে।গাওঁবুঢ়াই তেওঁ প্ৰায় ৪ বজাত আহিছিল বুলি সাক্ষ্যদান কৰিছে। অভিযোগকাৰী আৰু গাওঁবুঢ়া দুয়োজনেই গাওঁবুঢ়াই এখন প্ৰতিবেদন লিখিছিল বুলি কৈছিল, যিখন আৰক্ষীলৈ প্ৰেৰণ কৰা হৈছিল। অভিযোগকাৰীয়ে নিজেই থানালৈ সেইখন লৈ গৈছিল। এই প্ৰতিবেদনৰ বিষয়বস্তুৰ পৰা গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছে। মাথোঁ কোৱা হ'ল যে ঘটনা সংঘটিত হোৱা নিশাই অভিযোগকাৰীৰ ঘৰত বেৰ ভাঙি এটা চোৰে প্ৰৱেশ কৰিছিল। তেঁওক ধৰা হয় আৰু জিম্মাত ৰখা হয়। প্ৰতিবেদনমতে আন এজন চোৰ পলাই গৈছিল। এই প্ৰতিবেদনৰ জৰিয়তে প্ৰাৰ্থনা জনোৱা হৈছিল যে আটক কৰি ৰখা চোৰজনক থানালৈ লৈ যাব লাগে। এই প্ৰতিবেদনত গাওঁবুঢ়াই স্বাক্ষৰ কৰে আৰু লগতে আন ৬ গৰাকী ব্যক্তিয়ে স্বাক্ষৰ কৰে। এই ছয়জন ব্যক্তিৰ ভিতৰত কেৱল আলম গগৈ (গোচৰীয়া

পক্ষৰ ২ নম্বৰ সাক্ষী) আৰু ৰত্ন গগৈকহে (গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী) সোধ- পোছ কৰা হৈছিল। আন ৪ জন ব্যক্তি ক্ৰমে মৰিয়া গগৈ, কুলাই গগৈ, সোণাতি সন্দিকৈ আৰু লোকনাথ গগৈক গোচৰীয়া পক্ষৰ সাক্ষী হিচাপে সোধ- পোছ কৰা হোৱা নাছিল।

১৭) গাওঁবুঢ়াই লিখা প্ৰতিবেদন যেতিয়া আৰক্ষীৰ হাতত অৰ্পণ কৰা হয়, তেতিয়া আৰক্ষী বিষয়াজনে কিছুমান প্ৰশ্ন সুধিছিল আৰু এইবোৰৰ উত্তৰ লিপিবদ্ধ কৰা হৈছিল। এনেদৰে দিয়া মৌখিক জবানবন্দীকো এফআইআৰৰ অংশ হিচাপে লোৱা হৈছে। মৌখিক প্ৰতিবেদনখন পুৱা ৮ বজাত বনোৱা হৈছিল। এই প্ৰতিবেদনত অভিযোগকাৰীয়ে প্ৰথমবাৰৰ বাবে দুয়োজন অভিযুক্তৰ নাম উল্লেখ কৰিছে। তেওঁ কয় যে বাপুৰাম আৰু কচু গগৈয়ে চুৰি কৰাৰ উদ্দেশ্যেৰে বেৰ ভাঙি তেওঁৰ ঘৰত প্ৰৱেশ কৰিছিল। দুয়োজনকে ধৰি তেঁও টৰ্চৰ পোহৰত সিহতক চিনি পালে। তেওঁ চিঞৰ-বাখৰ কৰিছিল। কচুৱে অভিযোগকাৰীক কঁকালত লাঠিৰে আঘাত কৰি পলাই গ'ল যদিও গাঁৱৰ মানুহ অহালৈকে বাপুৰামক আটক কৰি ৰাখিব পাৰিলে। ঘৰত থকা ছোৱালীজনী (মানে ভনীয়েক) ক অপহৰণ কৰিবলৈ বাপুৰাম আহিছিল বুলিও তেওঁ কয়।

১৮) এক প্ৰশ্ন হ'ল আৰক্ষীক দিয়া লিখিত প্ৰতিবেদনৰ পিছত দিয়া মৌখিক প্ৰতিবেদনক F.I.R ৰ অংশ হিচাপে গণ্য কৰিব পৰা যাব নেকি? এই মৌখিক প্ৰতিবেদনক আৰক্ষীৰ তদন্তৰ কালছোৱাত দিয়া জবানবন্দী হিচাপে গণ্য কৰাটো অধিক উপযুক্ত হ'বাযদি সেই মতামত লোৱা হয়, তেন্তে ইয়াৰ ব্যৱহাৰ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ ধাৰাত থকা বিধান অনুসৰি কেৱল অভিযুক্তৰ বাবেহে উপলব্ধ হ'ব। কিন্তু যদিও ইয়াক FIR ৰ

অংশ হিচাপে গণ্য কৰা হয়, যিটো তলত উল্লেখিত আদালতসমূহত অভিযুক্তৰ আপত্তি অবিহনে কৰা হৈছিল, এইটো স্পষ্ট যে গোচৰটোৰ বিচাৰৰ সময়ত গোচৰীয়া পক্ষই প্ৰদান কৰা সাক্ষ্যক বিশ্বাসযোগ্য বুলি গণ্য কৰিব নোৱাৰি যেতিয়া এফ.আই.আৰত থকা দুটা ভাষ্যৰ পটভুমিত এই সাক্ষ্যক বিবেচনা কৰা হয়। ঘটনাৰ প্ৰায় দুঘণ্টাৰ পিছত গাঁওবুঢ়াই আৰক্ষীক এই লিখিত প্ৰতিবেদন দিছিল। প্ৰতিবেদনত কচু নামৰ ব্যক্তিজনৰ কোনো উল্লেখ লক্ষণীয়ভাৱে নাই। এইটো স্বীকাৰ্য্য সে কচুৱে অভিযোগকাৰীৰ ঘৰৰ ওচৰতে থাকে। অভিযোগকাৰীৰ ঘৰৰ পৰা ৯ নল দূৰত্বত ৰাস্তাৰ বিপৰীত ফালে তেওঁৰ ঘৰ। তেওঁক আগৰ পৰাই গোচৰীয়া পক্ষৰ সকলো সাক্ষীয়ে চিনি পাইছিল। বিচাৰ আদালতত চলা গোচৰটো এই যে গুণাৰামৰ বাহিৰেও মিঠাৰাম আৰু পুনেশ্বৰে (গোচৰীয়া পক্ষৰ ৫ আৰু ৬ নম্বৰ সাক্ষীয়ে) অভিযোগকাৰীৰ ঘৰৰ চোতালত কচুক দেখিছিল। আনকি কিছু দূৰলৈকে পুনেশ্বৰে তাক খেদি গৈছিল। অভিযোগকাৰীৰ পিতৃ মিথাৰাম ঘৰত আছিল। পুত্ৰৰ চিঞৰ-বাখৰে তেওঁক টোপনিৰ পৰা জগাই তুলিছিল বুলি তেঁও সাক্ষ্যদান কৰিছিল। চোতাললৈ আহি তেওঁ গুণৰাম (অভিযোগকাৰী) বাপুৰাম আৰু কচুক দেখিলে। সিহঁতৰ ওচৰ পোৱাৰ আগতেই কচুৱে লাঠিৰে গুণাৰামক আঘাট কৰি পলাই গৈছিল। পুনেশ্বৰ আহি তেওঁক খেদি গ'ল যদিও ধৰিব নোৱাৰিলে। গাঁৱৰ মানুহ আহি পোৱালৈকে বাপুৰামক আটক কৰি ৰখা হৈছিল। তেওঁ লগতে বেৰ, টৰ্চ লাইট আৰু সৰি পৰা বাকচবোৰৰ উল্লেখ কৰিছিল। তেওঁ নিজে দেখা কথাখিনি গাঁওবুঢ়াক কৈছিল বুলি তেওঁ উল্লেখ কৰা নাই। পুনেশ্বৰ, (গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষী), উলমা গগৈৰ পুত্ৰ (গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষী)। তেঁও সাক্ষ্যদান কৰিছিল যে তেঁও অভিযোগকাৰী গুণাৰামে কচু আৰু বাপুৰামৰ সৈতে যুঁজি

থকা দেখিছিল আৰু তেওঁলোকৰ ওচৰ পোৱাৰ আগতেই কচুৱে দৌৰিবলৈ আৰম্ভ কৰাৰ লগে লগে তাক খেদি গৈছিল। অভিযোগকাৰী পুনেশ্বৰৰ সম্পৰ্কীয় ব্যক্তি। মিঠাৰাম তেওঁৰ পিতৃ। গাঁওবুঢ়া অহাৰ সময়ত প্ৰস্তুত কৰা প্ৰতিবেদনত তেঁওলোকে চহী কৰা নাছিল। পুনেশ্বৰ আৰু গুণাৰামে তাক মাতিবলৈ গৈছিল। তেওঁৰ মতে দুয়োজনে তেওঁক জনাইছিল যে তেওঁলোকে এজন অপৰাধীক আটক কৰাত সফল হৈছে আৰু আনজন মানে কচু পলাই গৈছিল। পুনেশ্বৰ আৰু গুণাৰাম দুয়োৰে পৰাই তেওঁ এই খবৰ পাইছিল। ইয়াৰ পিছতো লিখিত প্ৰতিবেদনত কচুৰ নাম উল্লেখ কৰা হোৱা নাই। গুণাৰাম, অভিযোগকাৰী, গাঁওবুঢ়া (গোছৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী) আৰু পুনেশ্বৰৰ (গোছৰীয়া পক্ষৰ ৬নম্বৰ সাক্ষী)ৰ এই ক্ষেত্ৰত কোনো ব্যাখ্যা নাই যে কচুক তেওঁলোকে চিনি পাইছিল আৰু গুণাৰাম, পুনেশ্বৰ আৰু মিঠাৰামে কচুক চিনাক্ত কৰিছিল স্বত্তেও কচুৰ নাম লিখিত প্ৰতিবেদনত উল্লেখ কৰা কিয় হোৱা নাছিল। গোছৰীয়া পক্ষই এইটো বাদ পৰাৰ কোনো যুক্তিসংগত ব্যাখ্যা আগবঢ়োৱা নাই। বিদ্বান চৰকাৰী অধিবক্তাই কৈছে যে এইটো মাত্ৰ এটা চমু প্ৰতিবেদন আছিল যাৰ দ্বাৰা গাওঁবুঢ়াই আৰক্ষীক জনাব বিচাৰিছিল যে এজন দোষীক আটক কৰা হৈছে আৰু তেওঁক থানালৈ নিব লাগে। এইটো পতিয়ন যোগ্য নহয় কাৰণ সেইটোৱেই যদি ধাৰণা আছিল তেন্তে দ্বিতীয়জন ব্যক্তি, যিয়ে পলায়ন কৰাৰ সুযোগ লৈছিল, তেওঁৰ নাম উল্লেখ কৰাৰ কোনো যুক্তি নাছিল। গাঁওবুঢ়াই ক’ব পাৰিলেহেতেন যে বিশদ প্ৰতিবেদন অভিযোগকাৰীয়ে নিজেই দিব। তেওঁ দ্বিতীয় মানুহজনক উল্লেখ কৰিছে যদিও নামটো দিয়া নাই।

১৯) এইটো এটা নিখুঁত আৰু বৈধ অনুমান হ'ব যে যেতিয়া গাঁওবুঢ়াই সেই প্ৰতিবেদন প্ৰস্তুত কৰিছিল, তেতিয়া দ্বিতীয় অপৰাধীৰ নাম, যদিহে কোনো দ্বিতীয় অপৰাধী আছিল, তেন্তে তেওঁ সেইয়া নাজানিছিল। বিচাৰৰ সময়ত গোচৰীয়া পক্ষই দিয়া যুক্তি যদি সঁচা হ'লহেঁতেন তেন্তে কচুৰ নামটো নথি খনত নিশ্চয়কৈ পোৱা গলহেতেন। কোনো যুক্তিসংগত ব্যাখ্যাৰ অভাৱত নথিখনত কচুৰ নাম উল্লেখ নকৰাটোৱে গোচৰীয়া পক্ষৰ যুক্তি অত্যন্ত সন্দেহজনক কৰি তুলিছে। অভিযোগকাৰীয়ে দিয়া FIR এইকাৰণে গুৰুত্বপূৰ্ণ যে সেইখন ঘটনাৰ ঠিক পিছতে দিয়া হৈছিল। তেতিয়া স্মৃতিশক্তি সতেজ হৈ থাকে আৰু যদিহে সেই জবানবন্দী ঘটনা ঘটাৰ পিছত সোনকালে দিয়া হয়, তেন্তে মিছা সাক্ষী দিয়াৰ সম্ভাৱনা নাথাকে। 'সম্ৰাট বনাম নাজিৰ আহমদ' গোচৰত প্ৰাইভি কাউন্সিলৰ ন্যায়ধীশসকলে (এআইআৰ (৩২) ১৯৪৫ পি.চি. ১৮) লক্ষ্য কৰিছিল যে ইয়াৰ উদ্দেশ্য হৈছে অভিযোগৰ আগতীয়া তথ্য লাভ কৰা আৰু অপৰাধমূলক কাৰ্য্যকলাপ আৰু পৰিস্থিতিসমূহ পাহৰি যোৱা বা বিকৃত কৰাৰ সময় পোৱাৰ আগতেই লিপিবদ্ধ কৰা। ইয়াৰ অৰ্থ হ'ল যেতিয়া অভিযোগকাৰীয়ে দাখিল কৰা F.I.R. মতে যদি বিচাৰত গোচৰৰ ৰূপৰেখা প্ৰস্তুত কৰা হয়, তেতিয়া প্ৰমাণ সলনি কৰাৰ সম্ভাৱনা সীমিত হয় কাৰণ পৰৱৰ্তী সময়ত স্থাপন হ'ব পৰা যিকোনো গোচৰ F.I.R. ৰ পটভূমিত বিশ্লেষণ কৰা হব, বিশেষকৈ যেতিয়া অভিযোগকাৰীয়ে F.I.R নিজেই দিয়ে।

২০) বিচাৰৰ সময়ত অভিযোগকাৰীয়ে প্ৰদান কৰা বিশদ মৌখিক প্ৰতিবেদন বিবেচনা কৰিলেও গোচৰীয়া পক্ষৰ সাক্ষ্যই কোনো অনুকূল দৃষ্টিভংগী লাভ কৰা যেন নালাগে। এই প্ৰতিবেদনত কচু গগৈৰ বিৰুদ্ধে স্পষ্টভাৱে

অভিযোগ উত্থাপন কৰা হৈছিল। লগতে তেওঁ আৰু বাপুৰামে উদ্দেশ্যপ্ৰণোদিতভাৱে চুৰ কৰিবলৈ বেৰ ভাঙি ঘৰত প্ৰৱেশ কৰা বুলিও উল্লেখ কৰা হৈছে আৰু এই প্ৰতিবেদন অনুসৰি ঘৰটোত তেওঁলোকক আটক হয়। কচু পলাই গ'ল আৰু গাঁৱৰ মানুহ অহালৈকে বাপুৰামক আটক কৰি ৰখা হ'ল। কোনো সাক্ষীৰ নাম উল্লেখ কৰা হোৱা নাই। তাৎপৰ্যপূৰ্ণ যে এই প্ৰতিবেদনতো অভিযোগকাৰীক অভিযুক্ত দুজনে তেওঁৰ কোঠাৰ পৰা চোতাললৈ টানি লৈ যোৱা, তাৰ পিছত চোতালত জোতা-পোতা লগা আৰু এই কালছোৱাতেই পুনেশ্বৰ আৰু মিঠাৰাম আহি কচুক পলাই যোৱা দেখা বুলি কোৱা হোৱা নাছিল। পুনেশ্বৰে তেওঁক খেদি যোৱা বুলিও কোৱা হোৱা নাছিল।দৰাচলতে পুনেশ্বৰ আৰু মিঠাৰামৰ নামো প্ৰতিবেদনত উল্লেখ কৰা হোৱা নাই৷ মিথাৰাম একেখন ঘৰতে থাকে। অভিযোগকাৰীৰ সৈতে পুনেশ্বৰৰ সম্পৰ্ক আছে বুলি কোৱা হৈছে। যিসকল গাঁৱৰ লোকৰ নাম উল্লেখ কৰা হৈছিল (যদিও এই প্ৰতিবেদনত নাম উল্লেখ কৰা হোৱা নাই), তেওঁলোকৰ ভিতৰত আলম গগী আৰু ৰত্ন গগৈৰ বাহিৰে অন্যসকলক সোধ- পোছ কৰা হোৱা নাই। কিন্তু এই দুয়োজনে কচুক দেখা বুলি সাক্ষ্য দিয়া নাই। তেওঁলোকে কেৱল বাপুৰণকহে দেখিলে। তেঁওলোকে গোচৰীয়া পক্ষৰ সাক্ষ্যক এই পৰ্য্যন্ত সমৰ্থন কৰে যে তেওঁলোক ঘটনাস্থলীত উপস্থিত হোৱাৰ সময়ত গুনাৰামে কচুৰ নাম উল্লেখ কৰিছিল। কিন্তু তেতিয়া তেওঁলোকেও সাক্ষত কোনো ব্যাখ্যা দিয়া নাই যে কি কাৰণে তেওঁলোকৰ উপস্থিতিত আৰু পুনেশ্বৰ আৰু মিঠাৰামৰ উপস্থিতিতো প্ৰস্তুত কৰা লিখিত প্ৰতিবেদনত তেওঁৰ নাম উল্লেখ কৰা নহ'ল। বিচাৰৰ সময়ত দিয়া গোচৰীয়া পক্ষৰ সাক্ষ্যই F.I.R ত উল্লেখিত গোচৰটোৰ গুৰুত্বপূৰ্ণ দিশসমূহক সমৰ্থন নকৰে। ই যথেষ্ট উন্নত সংস্কৰণ আৰু ই

কেৱল তিনিজন গোচৰীয়া পক্ষৰ সাক্ষীৰ পৰাহে আহিছে। তেওঁলোকৰ নামবোৰো  ঘটনা সংঘটিত হোৱাৰ প্ৰায় ৬ ঘণ্টাৰ পিছত কৰা বিশদ প্ৰতিবেদনত দেখা নাযায়। অভিযোগকাৰীৰ পিতৃ মিথাৰামে কয় যে গুণাৰামৰ এহাতে টৰ্চ আৰু আনখন হাতত লাথি আছিল। যদি তেনেকুৱাই হ'লহেঁতেন তেন্তে তেওঁৰ বাবে বাপুৰামক ধৰি ৰখাটো সম্ভৱ নহ'লহেঁতেন। বিদ্বান দণ্ডাধীশৰ মতে এই বক্তব্যৰ সেই অংশটো বিশ্বাসযোগ্য নহয়। তেওঁ উল্লেখ কৰে যে তেওঁ বাপুৰামক আটক কৰা সম্বন্ধে গোচৰীয়া পক্ষৰ যুক্তিক সন্দেহ কৰিলেহেতেন যদিহে আনবোৰ  সাক্ষীসকলেও গুণাৰামক টৰ্ছ লৈ থকা দেখিলেহেতেন। তেওঁ মিঠাৰামৰ বাহিৰে অন্য সাক্ষীৰ সাক্ষৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁ মিথাৰামক এজন বৃদ্ধ বুলি বৰ্ণনা কৰিছিল যি সম্ভৱতঃ বিভ্ৰান্ত আছিল আৰু টৰ্চটো ক'ত দেখিছিল সেইটো শুদ্ধকৈ উল্লেখ কৰিব পৰা নাছিল।

২১) অভিযোগকাৰীৰ বক্তব্য যে অভিযুক্ত দুজনে চুৰিৰ উদ্দেশ্যে তেওঁৰ ঘৰত প্ৰৱেশ কৰিছিল সেইয়া শুদ্ধ নহয়। তেওঁ দিয়া বিশদ প্ৰতিবেদনত তেঁও স্বীকাৰ কৰিছিল যে বাপুৰামে ছোৱালীজনীক (তেওঁৰ ভনীয়েক) অপহৰণ কৰাৰ লক্ষ্যৰে ঘৰটোত প্ৰৱেশ কৰিছিল।

২২) অভিযোগকাৰীয়ে কয় যে কচুৱে তেওঁক লাঠিৰে আঘাত কৰিছিল। চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰিবৰ বাবে তেওঁক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। বিচাৰত তেওঁৰ কোনো ধৰণৰ আঘাত হোৱা বুলি কোনো সাক্ষ্য দিয়া নাই। ঘটনাৰ পৰিস্থিতিয়ে এই সাক্ষ্য সমৰ্থন নকৰে। প্ৰথম লিখিত প্ৰতিবেদনত আবেদনকাৰীৰ নাম বাদ পৰিছে। এই বাদ পৰাটোৱে অভিযুক্তৰ সপক্ষে এটা পৰিস্থিতি সৃষ্টি কৰে: 'বাচন বনাম সম্ৰাট', এআইআৰ (১৪)

১৯২৭ লাহ। ১৪৯)। গোচৰীয়া পক্ষৰ যুক্তিক ই সন্দেহৰ আৱৰ্তত আনে। মৌখিক প্ৰতিবেদনত অভিযোগকাৰীৰ সৈতে সম্পৰ্ক থকা স্বত্তেও প্ৰধান সাক্ষীসকলৰ নাম উল্লেখ কৰা হোৱা নাই আৰু আদালতত দিয়া বক্তব্য অনুসৰি তেওঁ জানিছিল যে তেওঁলোকে কচুক পলাই যোৱা দেখিছিল। এয়া আন এক সন্দেহজনক পৰিস্থিতি। বিচাৰত দিয়া সাক্ষ্য এফ.আই.আৰ.ত সন্নিবিষ্ট বস্তুগত তথ্যতকৈ পৃথক। এই পৰিস্থিতিসমূহ সামূহিকভাৱে বিবেচনা কৰিলে গোচৰীয়া পক্ষৰ যুক্তি অত্যন্ত সন্দেহজনক যেন অনুমান হয়: 'আকবৰ বনাম সম্ৰাট', এআইআৰ (১৮) ১৯৩১ লাহ ১৫৭. এফ.আই.আৰ. আৰু সাক্ষৰ মাজত থকা অসামঞ্জস্যতা গোচৰীয়া পক্ষই ব্যাখ্যা কৰিবলগীয়া বিষয় আৰু এই বিষয়ত গোচৰীয়াক প্ৰতিপক্ষই জেৰা কৰাত কিয় ব্যৰ্থ হ'ল, তাৰ কোনো বিশেষ কাৰণ দেখা নাযায়।'আৰাধ সিং বনাম সম্ৰাট', এআইআৰ (৩৪) ১৯৪৭ পেট .

২৩) নিম্ন আদালতে এই কাৰকসমূহ সম্পুৰ্ণভাবে উপেক্ষা কৰি দুজন পক্ষপাতী সাক্ষীৰ সাক্ষ্য নিঃসন্দেহে মানি লৈছিল। এই ক্ষেত্ৰত বিচাৰ দণ্ডাধীশৰ অযোগ্যতাৰ দ্বাৰা (তেওঁ prosecutor হোৱা বাবে) বিচাৰ দোষিত নহ'লেও এনে কিছুমান পৰিস্থিতি আছে যিয়ে গোচৰটোৰ গুৰুত্বৰ ওপৰত পুনৰ বিবেচনা কৰাটো ন্যায্যতা প্ৰদান কৰে। সাধাৰণতে এই আদালতে নিম্ন আদালতৰ উমৈহতীয়া সিদ্ধান্তত হস্তক্ষেপ নকৰে যদিও এই ক্ষেত্ৰত উদ্ভত হোৱা অস্বাভাৱিক পৰিস্থিতিৰ বাবে পুনৰীক্ষণৰ প্ৰয়োজন আছে। 'মোহাবলী বনাম সম্ৰাট', এআইআৰ (২) ১৯১৫ লাহ ৪৩৮ আৰু 'ৰাম নাৰায়ণ গিৰ বনাম সম্ৰাট'ত এআইআৰ (৮) ১৯২১ পেট. ৪৬৯, গোচৰত এফ.আই.আৰ. আৰু বিচাৰত পোৱা সাক্ষ্যপ্ৰমাণসমূহ পৃথক

হোৱা বাবে পুনৰীক্ষণত দোষী সাব্যস্তকৰণক বাতিল কৰিবলৈ যথেষ্ট বুলি ধৰা হৈছিল। পক্ষপাতিত্বশীল ব্যক্তিয়ে গোচৰটোৰ ক্ষতিসাধন কৰিছে আৰু আবেদনকাৰীয়ে তেওঁৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা অপৰাধত অংশগ্ৰহণ কৰাটো সন্তোষজনকভাৱে প্ৰমাণ কৰিবলৈ কোনো নিৰ্ভৰযোগ্য প্ৰমাণ নাই ।পুনৰ বিচাৰৰ নিৰ্দেশ দিলে কোনো উদ্দেশ্য পূৰণ নহ'ব। সেয়েহে, মই এই আবেদনৰ অনুমতি দিম আৰু আবেদনকাৰীৰ দোষী সাব্যস্তকৰণ হোৱাটো বাতিল কৰি তেওঁক দোষমুক্ত কৰিম।

২৪) মুখ্য ন্যায়াধীশ, থাডানি, .:— বিদ্বান ন্যায়াধীশে দিয়া প্ৰস্তাবিত আদেশত সন্মতি দিব নোৱাৰাৰ বাবে মই দুখ প্ৰকাশ কৰিছো। মোৰ মতে পুনৰীক্ষণৰ আবেদন খাৰিজ কৰিব লাগে।

২৫) বিদ্বান ন্যায়াধীশৰ আদেশক নায্য সন্মান প্ৰদান কৰি মই লক্ষ্য কৰিছো যে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০ ধাৰাৰ অধীনত দফা (i)ৰ উপ-ধাৰা (গ)ৰ অধীনত আবেদনকাৰীৰ অপৰাধ সন্দৰ্ভত আইনী প্ৰক্ৰিয়া চলোৱাৰ স্বীকৃতি দিয়াটো মই প্ৰতিষ্ঠিত আইন- কানুনৰ বিৰোধী বুলি গণ্য কৰো কাৰণ যদি কোনো দণ্ডাধীশে অভিযুক্ত ব্যক্তি 'ক'ৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৭৩ নং ধাৰাত আৰক্ষীৰ প্ৰতিবেদন লাভ কৰাৰ পিছত অপৰাধটোৰ স্বীকৃতি কৰাৰ সিদ্ধান্ত লয় আৰু পিছত বিচাৰত যদি একেজন দণ্ডাধীশে আন এজন ব্যক্তি 'খ'ও অভিযোগত বিচাৰৰ সন্মুখীন হ'ব লাগে বুলি নিৰ্দেশ দিয়ে, তেন্তে মোৰ বিশ্বাস যে দণ্ডাধীশে ধাৰা ১৯০ৰ অধীনত এটা নিৰ্দিষ্ট উপ-দফা (খ)ৰ অধীনত 'ক' আৰু 'খ' উভয়ৰে বিৰুদ্ধে অপৰাধ স্বীকৃতি দিছে আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০ (১) ধাৰাৰ অধিনৰ উপ-ধাৰা (গ) ত স্বীকৃতি দিয়া নাই।

২৬) এই গোচৰত বিচাৰ আদালতৰ দণ্ডাধীশে আৰক্ষীক বাপুৰামৰ বিৰুদ্ধে বিচাৰ চলি থকাৰ সময়ত আবেদনকাৰীক বিচাৰৰ বাবে পঠিয়াবলৈ কোৱাৰ ফলত দণ্ডাধীশক আবেদনকাৰীৰ বিচাৰৰ অধিকাৰৰ পৰা বঞ্চিত হোৱা নাছিল। যদি আবেদনকাৰীয়ে আশংকা কৰে যে দণ্ডাধীশে আৰক্ষীক তেঁওৰ সৈতে বাপুৰামক বিচাৰৰ বাবে পঠিয়াবলৈ নিৰ্দেশ দিয়াৰ বাবে দণ্ডাধীশৰ হাতত ন্যায্য বিচাৰ নাপাব, তেন্তে তেওঁৰ সঠিক পথ আছিল ফৌজদাৰী কাৰ্য্যবিদিৰ ৫২৮ ধাৰাৰ অধিনত গোচৰটোৰ বদলিৰ বাবে আবেদন কৰা যিটো পন্থা তেওঁ গ্ৰহণ কৰা নাছিল।

২৭) আমাৰ সন্‌মুখত থকা প্ৰশ্নটোৰ সৈতে জড়িত গোচৰসমূহ ৰতনলালৰ 'অপৰাধৰ আইন', নৱম সংস্কৰণৰ ৪৯৪ আৰু ৪৯৫ পৃষ্ঠাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু সেই সকলোবোৰ গোচৰতে লোৱা মতামত হ'ল যে দণ্ডাধীশে ১৯০(i)(খ) ধাৰাত অপৰাধৰ বাবে আইনী প্ৰক্ৰিয়াৰ স্বীকৃতি দিয়ে। তেনে ক্ষেত্ৰত ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা প্ৰয়োগৰ প্ৰশ্ন উত্থাপন নহয়। (চাওক- 'সৰৱা বনাম সম্ৰাট', ১৪ চি আৰ এল জে ২৯০, 'মেহৰাব বনাম সম্ৰাট', ১৭ এছ.এল.আৰ ১৫০ এফ.বি., 'ৰাজনী কান্তো বনাম সম্ৰাট', ৮ চি ডব্লিউ এন ৮৬৪, হাকিম এলাই বনাম ৰজা-সম্ৰাট', ৭ এল আৰ এল.জে.৪১৪, সম্ৰাট বনাম মাণিকা গ্ৰামণি', ৩০ মেড ২২৮, 'গুণ্ডো চিক্কো বনাম সম্ৰাট', ২৩ বম. এল.আৰ. ৮৪২, 'ইন্তাজখান বনাম সম্ৰাট, এ আই আৰ (২১) ১৯৩৪ ৰং ১৯৩, 'ৰঘুনাথ পুৰী বনাম সম্ৰাট', এ আই আৰ (১৯) ১৯৩২ পেট ৭২)। মই জনাত খণ্ড বিচাৰপীঠৰ এটাও ৰিপৰ্ট কৰা গোচৰ নাই য'ত দণ্ডাধীশে ফৌজদাৰী

কাৰ্য্যবিধিৰ ১৯০(i)(গ) ধাৰাত আইনী প্ৰক্ৰিয়া চলোৱাৰ বাবে স্বীকৃতি দিছিল।

২৮) বিদ্বান দণ্ডাধীশজনে যিবোৰ গোচৰৰ ওপৰত নিৰ্ভৰ কৰিছে, সেইবোৰৰ কোনো এটাকে *বাৰত* উল্লেখ কৰা হোৱা নাছিল আৰু তেওঁৰ ৰায়ত প্ৰথমবাৰৰ বাবে সেইবোৰ বিবেচনা কৰা দেখিছোঁ। মই নাভাবো যে সেইবোৰৰ গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰযোজ্য আৰু যিবোৰ প্ৰযোজ্য, সেইবোৰে এই মতামত সমৰ্থন কৰে যে গোচৰটো 190(i)(খ)ধাৰাৰ অধীনত পৰে, ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i) (গ)ধাৰাত নহয়। প্ৰথমটো গোচৰত 'নেক ৰাম বনাম সম্ৰাট', এ.আই.আৰ.(১৮) ১৯৩১ সকলো। ২৭৩, (এজনীয়া বিচাৰপীঠৰ সিদ্ধান্ত) মন কৰিবলগীয়া যে বিদ্বান ন্যায়াধীশে কাৰ্য্যবিধি বাতিল কৰিব পাৰিলেহেতেন অথবা বিকল্পভাৱে গোচৰটো হস্তান্তৰৰ কৰিব পাৰিলেহেতেন। বিদ্বান ন্যায়াধীশগৰাকীয়ে কাৰ্য্যবিধি বাতিল কৰিবলৈ অস্বীকাৰ কৰাৰ সময়তে ফৌজদাৰী কাৰ্য্যবিধিৰ ৫২৬ নং ধাৰা অনুসৰি গোচৰটো হস্তান্তৰ কৰাৰ নিৰ্দেশ দিয়ে। ৰায়দানত ন্যায়াধীশ বেনেটে কয় যে-

"স্পষ্ট যে দণ্ডাধীশে নেক ৰামৰ বিৰুদ্ধে বিচাৰ চলাব বিচাৰিছিল যি সময়ত তেওঁ গোচৰৰ নথি (আৰক্ষীলৈ) পঠিয়াইছিল। গোচৰৰ হস্তান্তৰৰ উদ্দেশ্যে সেইটো মই যথেষ্ট বুলি বিবেচনা কৰোঁ"। বিজ্ঞ ন্যায়াধীশে প্ৰকাশ কৰা আন বক্তব্য বা মতামতসমূহ মূল সিদ্ধান্তৰ বাবে অত্যাৱশ্যকীয় নহয়। ন্যায়াধীশে এই ক্ষেত্ৰত কোনো ন্যায্যতা প্ৰদান কৰা নাছিল যে তেওঁ কিয় বিশ্বাস কৰিছিল যে দণ্ডাধীশে Cl. (i) of S. 190 ৰ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০ ধাৰাৰ অধিনত দফা (i)ত অপৰাধৰ স্বীকৃতি দিছিল। আন উচ্চ

ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠৰ অথবা খণ্ড বিচাৰপীঠৰ সিদ্ধান্ততকৈ এজন ন্যায়াধীশে দিয়া অতিৰিক্ত মন্তব্য বা মতামতক অগ্ৰাধিকাৰ দিয়া হয় বুলি মই বিশ্বাস নকৰো। বিশেষকৈ মই মোৰ ৰায়দানত আগতে উল্লেখ কৰা গোচৰৰ ক্ষেত্ৰত এই কথা সত্য।

২৯) 'মহোমদ ছাদিক বনাম সম্রাট', এ.আই.আৰ. (২৫) ১৯৩৮ চনত লাহ ১৯ত এজনীয়া বিচাৰপীঠৰ সিদ্ধান্ত, এই গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সেই গোচৰত ফৌজদাৰী কাৰ্য্যবিধিৰ ১০৭ ধাৰাৰ অধীনত প্ৰাৰম্ভিক আইনী প্ৰক্ৰিয়াৰ নিৰ্ণায়কভাবে অন্ত পৰিছিল। তাৰ পিছত দণ্ডাধীশে সন্দেহ কৰে যে ফৌজদাৰী কাৰ্য্যবিধিৰ ১০৭ নং ধাৰাত চলোৱা কাৰ্য্যবিধিৰ সৈতে প্ৰাসংগিক এগৰাকী নাবালক ছোৱালীৰ সৈতে অপৰাধ সংঘটিত হৈছে। পৰৱৰ্তী সময়ত দণ্ডাধীশে এই সন্দেহৰ বিষয়ে আৰক্ষীক জনাইছিল। ইয়াৰ পিছতে আৰক্ষীয়ে প্ৰথমবাৰৰ বাবে অভিযোগনামা দাখিল কৰে আৰু দণ্ডাধীশে ভাৰতীয় দণ্ডবিধিৰ ৩৬৩, ৩৬৬, ৩৭৬ আৰু ৩৪৩ ধাৰাত কিছুমান অপৰাধৰ স্বীকৃতি দিয়ে। এই পৰিস্থিতিতেই ন্যায়াধীশ কল্ডষ্ট্ৰিমে এই মতামত গ্ৰহণ কৰিছিল যে দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(খ)ধাৰাত অপৰাধৰ স্বীকৃতি দিয়াৰ বিপৰীতে ১৯০(i)(গ) ধাৰাত অপৰাধটোৰ স্বীকৃতি দিছে। স্পষ্টভাৱে বিজ্ঞ ন্যায়াধীশজনে দণ্ডাধীশক গোচৰটোত অভিযোগ কৰা ব্যক্তি হিচাপেহে গণ্য কৰিছিল। ইয়াৰ ভিত্তি আছিল দণ্ডাধীশৰ সন্দেহ যে ছোৱালীজনীৰ সৈতে অপৰাধ সংঘটিত হৈছিল পূৰ্বৰ কাৰ্য্যবিধিৰ ১০৭ নং ধাৰা অনুসৰি, যিটো দণ্ডাধীশে নিষ্পত্তি কৰিছিল। ন্যায়াধীশ কল্ডষ্ট্ৰিমৰ সন্মুখত থকা গোচৰটো এনেকুৱা এটা গোচৰ নাছিল য'ত কোনো দণ্ডাধীশে 'ক'ৰ বিৰুদ্ধে ১৯০(i)(খ) ধাৰা অনুসৰি

অপৰাধৰ স্বীকৃতি দিছিল আৰু তাৰ পিছত 'ক'ৰ বিৰুদ্ধে বিচাৰ চলি থকাৰ সময়ত আৰক্ষীক 'বি'কো পঠিয়াব নির্দেশ দিছিল। ন্যায়াধীশ কল্ডষ্ট্ৰিমে চলোৱা গোচৰ আৰু বৰ্তমান বিবেচনাধীন গোচৰৰ মাজৰ স্পষ্ট পাৰ্থক্যক আঁতৰাই ৰাখি – যিটো পাৰ্থক্যই ন্যায়াধীশ কল্ডষ্ট্ৰিমৰ সিদ্ধান্তক সম্পূৰ্ণৰূপে অপ্ৰাসংগিক কৰি তোলে– ন্যায়াধীশ কল্ডষ্ট্ৰিমে জাৰি কৰা আদেশৰ কাৰ্যকৰী অংশৰ পৰা স্পষ্ট হয় যে ন্যায়াধীশে গোচৰটো হস্তান্তৰ কৰাৰ নিৰ্দিষ্ট উদ্দেশ্যে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা প্ৰয়োগ কৰিছিল। সেই কাৰ্য্যকৰি অংশ নিম্নোক্ত ধৰণে:

" একে সময়তে এইটো স্পষ্ট যেন লাগে যে দণ্ডাধীশৰ এই কাৰ্য্য মূলতঃ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(গ) ধাৰাত বিষয়টোক স্বীকৃতি দিয়া বা স্বীকৃতি দিয়াৰ সমতুল্য আছিল। ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰাত উল্লেখ কৰা বিধানসমূহ আৰোপ কৰাটো উপযুক্ত বুলি মই ভাবো। সেয়েহে, মই সত্ৰ ন্যায়াধীশে দিয়া পৰামৰ্শৰ সমৰ্থন জনাইছো, চলি থকা আইনী কাৰ্য্যবিধি বাতিল কৰিছো আৰু জিলা দণ্ডাধীশে নিৰ্ব্বাচন কৰা এজন বেলেগ দণ্ডাধীশে নতুনকৈ বিচাৰ চলাবলৈ নিৰ্দেশ দিছো।"

৩০) এআইআৰ, ভলিউম ৮, ১৯২১, বিঅ'এম ৩৬৫ত ৰিপ'ৰ্ট কৰা 'গুণ্ডো চিক্কো বনাম সম্ৰাট'ত নথিভুক্ত আইনী গোচৰটোৱে এই ধাৰণাটোক সমৰ্থন কৰা নজিৰ হিচাপে কাম কৰে যে আৰক্ষীৰ প্ৰতিবেদনৰ ভিত্তিত দণ্ডাধীশে আৰম্ভ কৰা গোচৰ এটা যদি নিষ্পত্তি হয় আৰু দণ্ডাধীশে বিশ্বাস কৰে যে গোচৰৰ কোনো সাক্ষীয়ে অপৰাধ কৰিছে আৰু আৰক্ষীক সাক্ষীজনক আন এটা আৰক্ষী প্ৰতিবেদনৰ সৈতে আনিবলৈ অনুৰোধ কৰে, তেনে ক্ষেত্ৰতো দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(খ) ধাৰাৰ

অধীনত অপৰাধৰ স্বীকৃতি দিয়া বুলি ধৰা হয়, ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(গ) ধাৰাৰ অধীনত নহয়। সেই গোচৰত বম্বে উচ্চ ন্যায়ালয়ৰ বিজ্ঞ ন্যায়াধীশসকলৰ হস্তক্ষেপৰ ন্যায্যতা আছিল যে মূল অভিযুক্তৰ বিৰুদ্ধে গোচৰ নিষ্পত্তি হোৱাৰ পিছত দণ্ডাধীশে সাক্ষীৰ বিচাৰ আৰম্ভ কৰি এক প্ৰকাৰে অভিযোগকাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। বিজ্ঞ ন্যায়াধীশজনে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ ধাৰাৰ প্ৰাসংগিকতা সম্পৰ্কে যি প্ৰকাশ কৰিছিল তাৰ ভিত্তিত তেওঁৰ সিদ্ধান্ত মোৰ বাবে স্পষ্ট যেন লাগে। নিশ্চিতভাৱে সেই গোচৰৰ দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ ধাৰাত উল্লেখ কৰা কাৰ্য্যপন্থা অনুসৰণ কৰা নাছিল – যিটো বিকল্প সম্পূৰ্ণৰূপে দণ্ডাধীশৰ কৰ্তৃত্বৰ ভিতৰত আছিল যদিহে তেওঁ তেনে কৰিবলৈ সিদ্ধান্ত লৈছিল। এই কাৰণেই বোম্বাই উচ্চ ন্যায়ালয়ৰ বিজ্ঞ ন্যায়াধীশসকলে সেই গোচৰৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ দৃষ্টিভংগী নাকচ কৰিছিল, যিজনে বিশ্বাস কৰিছিল যে দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ নং ধাৰাত অপৰাধৰ স্বীকৃতি দিয়া হৈছে। যদি বিজ্ঞ ন্যায়াধীশসকলে নিৰ্ধাৰণ কৰিলেহেঁতেন যে দণ্ডাধীশে সঁচাকৈয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ ধাৰাৰ অধীনত কাম কৰিছিল, তেন্তে তেওঁলোকে হস্তক্ষেপ কৰিব নোৱাৰিলেহেঁতেন, কিয়নো ফৌজদাৰী কাৰ্য্যবিধিয়ে বৰ্তমান দণ্ডাধীশে বিচাৰ চলাই থকা অভিযুক্ত ব্যক্তিজনৰ সৈতে আদালতত উপস্থিত থাকিলে কোনো ব্যক্তিক গ্ৰেপ্তাৰ আৰু বিচাৰৰ অনুমতি দিয়ে। বম্বে উচ্চ ন্যায়ালয়ৰ বিদ্বান ন্যায়াধীশসকলৰ আগত সেই গোচৰটোত দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ নং ধাৰাৰ অধিনত কাম কৰা নাছিল। এই তথ্যবোৰতে বম্বে হাইকোৰ্টৰ বিদ্বান ন্যায়াধীশসকলে গোচৰটো নিষ্পত্তি কৰাৰ পিছত সাক্ষীজনৰ বিৰুদ্ধে আৰক্ষীক তথ্য দিয়াৰ ক্ষেত্ৰত দণ্ডাধীশে কৰা কাৰ্য্যক দণ্ডাধীশে কৰা অভিযোগ বুলি গণ্য কৰিছিল, যিয়ে তেওঁক

গোচৰৰ বিচাৰৰ পৰা বঞ্চিত কৰিছিল কিয়নো তেওঁ ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ ধাৰাৰ অধীনত কাম কৰা নাছিল।

৩১) ৪ কলিকতা সাপ্তাহিক টোকা (CWN) ৩৬৭ত ৰিপ'ৰ্ট কৰা 'চাৰু চন্দ্ৰ দাস বনাম নৰেন্দ্ৰ কৃষ্ণ'ত নথিভুক্ত আইনী গোচৰটো এ আই আৰ (৮) ১৯২১ বম ৩৬৫ প্ৰকাশ পোৱাৰ দৰে 'গুণ্ডো চিক্কো বনাম সম্ৰাট'ত ৰিপ'ৰ্ট কৰা গোচৰৰ পৰিসৰৰ বাহিৰলৈকে বিস্তৃত। 'চাৰু চন্দ্ৰ দাস বনাম নৰেন্দ্ৰ কৃষ্ণ' গোচৰৰ সিদ্ধান্তত প্ৰতিষ্ঠা কৰা হৈছে যে কোনো দণ্ডাধীশে গোচৰত 'ক' অভিযুক্ত হোৱা অপৰাধ স্বীকাৰ কৰাৰ পিছত আৰু 'ক'ৰ বিৰুদ্ধে গোচৰ নিষ্পত্তি হোৱাৰ পিছতো যদি দণ্ডাধীশে বিশ্বাস কৰে যে আন এজন ব্যক্তি 'খ' 'ক'ৰ সৈতে অপৰাধত জড়িত আৰু পৰৱৰ্তী সময়ত ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ২০৪ৰ অধীনত 'খ'ৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া জাৰি কৰে আৰু বিচাৰ চলায়, তেন্তে এনে বিচাৰ বৈধ বুলি গণ্য কৰা হয়। 'চাৰু চন্দ্ৰ দাস বনাম নৰেন্দ্ৰ কৃষ্ণ' গোচৰত প্ৰদান কৰা ৰায়দানৰ 'মেহতাব বনাম সম্ৰাট,' ১৭ এছ.এল.আৰ. ১৫০ (পূৰ্ণ বিচাৰপীঠ), 'ৰজনী কান্তো বনাম সম্ৰাট,' ৮ কলিকতা সাপ্তাহিক টোকা (চি.ডব্লিউ.এন.) ৮৬৪, 'সম্ৰাট বনাম মাণিকা গ্ৰামণি,' ৩০ মাদ্ৰাজ ২২৮, 'ইন্তাজ খান বনাম সম্ৰাট,' এআইআৰ (২১) ১৯৩৪ ৰেংগুন ১৯৩ , আৰু 'ৰঘুনাথ পুৰী বনাম সম্ৰাট,' এআইআৰ (১৯) ১৯৩২ পাটনা ৭২ ইত্যাদি গোচৰত প্ৰদান কৰা ৰায়দানৰ সৈতে মিল আছে।"

৩২) তেতিয়া বিষয়টোৰ ক্ষেত্ৰত প্ৰযোজ্য আইন, যিদৰে মই ধাৰণা কৰিছোঁ, সেয়া হ'ল:

১) যি পৰিস্থিতিত কোনো দণ্ডাধীশে আৰক্ষীৰ প্ৰতিবেদনৰ ভিত্তিত ‘ক’ৰ বিৰুদ্ধে অপৰাধৰ স্বীকৃতি দিয়ে, ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(খ) ধাৰাৰ বিধান অনুসৰি ‘ক’ৰ বিচাৰৰ সময়ত দণ্ডাধীশ 'খ' ব্যক্তিও একে অপৰাধৰ সৈতে জড়িত বুলি মতামত গঠন কৰে, দণ্ডাধীশৰ বিকল্প আছে যে হয় তেঁও ফৌজদাৰী কাৰ্য্যবিধি ২০৪ ধাৰাৰ অধীনত 'খ'ৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিব অথবা আৰক্ষীক 'খ'ক গ্ৰেপ্তাৰ কৰি আদালতলৈ আনিবলৈ নিৰ্দেশ দিব। যদি নিৰ্দেশনা অনুসৰি ‘খ’ক আদালতলৈ অনা হয়, তেন্তে দণ্ডাধীশে তাৰ পিছত ‘ক’ আৰু ‘খ’ দুয়োৰে যৌথ বিচাৰ চলাবলৈ আগবাঢ়িব পাৰে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা বিবেচনা কৰাটো এই পৰিস্থিতিত প্ৰাসংগিক নহয়।

২) যদি ‘খ’ বৰ্তমান আদালতত আছে, তেন্তে দণ্ডাধীশে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ নং ধাৰাত ‘ক’ৰ সৈতে সমান্তৰালভাৱে ‘খ’ৰ বাবে বিচাৰ চলাব পাৰে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ ধাৰাৰ বিবেচনা এই ক্ষেত্ৰত প্ৰযোজ্য নহয়।

৩) যি পৰিস্থিতিত এজন দণ্ডাধীশে 'ক'ৰ বিৰুদ্ধে গোচৰ নিষ্পত্তি কৰে আৰু তাৰ পিছত আৰক্ষীক 'খ'ৰ বিৰুদ্ধে পৃথক 'চালান' দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে আৰু আৰক্ষীয়ে নিৰ্দেশনা পালন কৰি 'খ'ক আদালতত হাজিৰ কৰাৰ পিছত দণ্ডাধীশে গোচৰ চলাবলৈ আগবাঢ়ি যায়, সেই পৰিস্থিতিত দণ্ডাধীশৰ নিৰ্দেশনাক দণ্ডাধীশে নিজেই কৰা আনুষ্ঠানিক অভিযোগ হিচাপে চাব পাৰি বুলি ব্যাখ্যা কৰা হৈছে। যিহেতু কোনো দণ্ডাধীশক অভিযোগ কৰা গোচৰত ন্যায়াধীশ হিচাপে কাম কৰিবলৈ দিয়া

নহয়, গতিকে এই গোচৰত দণ্ডাধীশক বিচাৰ চলোৱাত নিষেধাজ্ঞা বা অযোগ্য ঘোষণা কৰা হৈছে।

বৰ্তমান আলোচনা কৰা আইনী গোচৰটো প্ৰথম শ্ৰেণী বা প্ৰথম ধৰণৰ গোচৰত খাপ খাই পৰে। আবেদনকাৰী আৰু বাপুৰামৰ বিৰুদ্ধে একেলগে বিচাৰ চলোৱাত দণ্ডাধীশ সম্পূৰ্ণৰূপে যোগ্য আৰু সক্ষম আছিল আৰু এই ক্ষেত্ৰত ফৌজদাৰী কাৰ্য্যবিধিৰ কোনো ধাৰা বা বিধানৰ অধীনত বিচাৰৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা বা প্ৰশ্ন কৰাৰ কোনো ভিত্তি নাই।

৩৩) ৪১ কলিকতা ১০১৩ চনত ৰিপ'ৰ্ট কৰা 'দাদাৰ বাক্স বনাম শ্যামপদ মুলকাৰ'ত নথিভুক্ত আইনী গোচৰটো মোৰ দৃষ্টিত প্ৰত্যক্ষভাৱে প্ৰাসংগিক – যিটো গোচৰত (৪ কলিকতা সাপ্তাহিক টোকা ৩৬৭) 'চাৰুচন্দ্ৰ দাস বনাম নৰেন্দ্ৰ কৃষ্ণ'ৰ কথা উল্লেখ কৰা হৈছিল। এই গোচৰটো অভিযোগৰ ভিত্তিত অপৰাধৰ স্বীকৃতি লোৱাৰ সৈতে জড়িত, যিটো ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০(i)(ক) ধাৰাত উল্লেখ কৰা হৈছে। মৌলিকভাৱে ১৯০(i)(ক) ধাৰাত অপৰাধৰ স্বীকৃতি দিয়া আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১৯০(i)(খ)ৰ অধীনত অপৰাধৰ স্বীকৃতি দিয়াৰ মাজত কোনো পাৰ্থক্য নাই। দুয়োটা ক্ষেত্ৰতে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ ধাৰাৰ বিধান প্ৰয়োগ কৰা নহয়।

এই ৰায়দানত তলত দিয়া পৰ্যবেক্ষণসমূহ দেখা যায়:

"আলোচনা কৰা দণ্ডাধীশগৰাকীৰ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯০ ধাৰাৰ দফা (গ)ৰ অধীনত গোচৰ বিবেচনা কৰাৰ/স্বীকৃতি দিয়াৰ বাবে স্থানীয় চৰকাৰে কৰ্তৃত্ব প্ৰদান কৰা নাই। প্ৰথম অৱস্থাত অভিযোগত দেদাৰ বুক্স আৰু বাছন বিবিৰ নাম উল্লেখ কৰা হোৱা নাছিল। কিন্তু অভিযোগ পত্ৰত উল্লেখ কৰা

অভিযোগৰ ভিত্তিত ইতিমধ্যে দণ্ডাধীশে গোচৰটো আগবঢ়াই নিয়াৰ সিদ্ধান্ত লৈছিল। উপলব্ধ সাক্ষ্যপ্ৰমাণসমূহ পৰ্যালোচনা কৰাৰ পিছত দণ্ডাধীশে এই সিদ্ধান্তত উপনীত হয় যে অভিযোগত নাম উল্লেখ কৰা চাৰিজন ব্যক্তিৰ বিৰুদ্ধে পৰ্য্যাপ্ত পতিয়ন যোগ্য সাক্ষ্যপ্ৰমাণ নাই। কিন্তু ১৮৬০ চনৰ দণ্ডবিধিৰ ৩৪২, ৩৫২ আৰু ৩৬৩ নং ধাৰাত দেদাৰ বুক্স আৰু বাছন বিবিয়ে অপৰাধ সংঘটিত কৰা বুলি সমল পোৱা গৈছিল। প্ৰথম দুটা ধাৰাত উল্লেখ কৰা অপৰাধসমূহ জড়িত পক্ষসমূহৰ মাজত বুজাপৰাৰ জৰিয়তে সমাধান কৰিব পাৰি, কিন্তু শেষৰ ধাৰাটোৰ অধীনত অপৰাধৰ সমাধান এনেদৰে কৰিব নোৱাৰি। মূল অভিযোগটোত গুৰুতৰ অপৰাধ জড়িত আছিল। পৰৱৰ্তী সময়ত অভিযোগ দাখিল কৰা ব্যক্তিজনে আবেদনৰ জৰিয়তে অভিযোগ প্ৰত্যাহাৰ কৰিব বিচাৰিছিল যদিও উল্লেখযোগ্য যে এই প্ৰত্যাহাৰৰ অনুৰোধ অভিযোগকাৰীৰ পৰা আহিছিল আৰু অপৰাধৰ বলি হোৱা বুলি অভিযোগ উত্থাপন কৰা ছোৱালীজনীৰ পৰা নাছিল। আমি বিশ্বাস কৰোঁ যে দণ্ডাধীশে সাক্ষীক সোধ-পোচ কৰাৰ নিৰ্দেশ দিয়াৰ ক্ষেত্ৰত সঠিক সিদ্ধান্ত লৈছিল। এইটো নিৰ্ণয় কৰিবলৈ কৰা হৈছিল যে প্ৰত্যাহাৰৰ আবেদন আৰু মূল অভিযোগ দুয়োটাৰে কোনো বৈধতা বা ভিত্তি আছে নেকি।"

৩৪) এতিয়া প্ৰশ্নটো হ'ল সাক্ষীৰ সাক্ষ্যৰ সময়ত ওলোৱা তথ্যৰ ভিত্তিত দেদাৰ বুক্স আৰু বাছন বিবিৰ বিৰুদ্ধে অভিযোগ স্বীকৃতি দিয়াৰ কৰ্তৃত্ব দণ্ডাধীশৰ আছিল নেকি? দণ্ডাধীশে নিজৰ কাৰ্য্যক ন্যায্যতা প্ৰদান কৰিবলৈ ৪ চি ডব্লিউ এন ৩৬৭ত ৰিপ'ৰ্ট কৰা 'চাৰু চন্দ্ৰ বনাম নৰেন্দ্ৰ কৃষ্ণ' নামৰ এটা আইনী গোচৰৰ কথা উল্লেখ কৰে। জ্ঞানী সত্ৰ ন্যায়াধীশে উল্লেখিত গোচৰ আৰু বৰ্তমানৰ গোচৰৰ মাজৰ পাৰ্থক্য বিবেচনা কৰি লক্ষ্য কৰে যে

ৰিপ'ৰ্ট কৰা গোচৰটোত আৰক্ষীৰ ৰিপ'ৰ্ট জড়িত আছিল আৰু ইয়াৰ ওপৰত দণ্ডাধীশৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আছিল আৰু সেই ক্ষেত্ৰত অভিযোগটো প্ৰত্যাখ্যান বা অস্বীকাৰ কৰা হোৱা নাছিল। ইয়াৰ বিপৰীতে সাম্প্ৰতিক পৰিস্থিতিৰ গোচৰটোৰ ক্ষেত্ৰত সিদ্ধেশ্বৰীৰ স্বামীয়ে দাখিল কৰা এখন লিখিত অভিযোগ জড়িত হৈ আছে। অভিযোগ' শব্দটোৰ সংজ্ঞা ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ৪ৰ দফা (জ), উপধাৰা (i)ত দিয়া হৈছে। সংজ্ঞাটোৱে স্পষ্ট কৰি দিয়ে যে অভিযোগকাৰীজন সংঘটিত অপৰাধৰ দ্বাৰা প্ৰত্যক্ষভাৱে ক্ষতিগ্ৰস্ত হোৱা ব্যক্তিজন হ'বই লাগিব বুলি ক'ব নোৱাৰি। অপৰাধৰ দ্বাৰা প্ৰকৃততে প্ৰভাৱিত হোৱা ব্যক্তিজনেই হৈছে অভিযোগকাৰীৰ পত্নী। সংজ্ঞা অনুসৰি স্বামীক দণ্ডাধীশৰ কাষ চাপি ফৌজদাৰী কাৰ্য্যবিধিৰ অধীনত আইনী ব্যৱস্থা ল'বলৈ যোগ্য ব্যক্তি বুলি গণ্য কৰা হয়।

৩৫) মোৰ মতে গোচৰটোৰ অত্যাৱশ্যকীয় দিশবোৰ বিবেচনা কৰিলে ইয়াত হস্তক্ষেপ কৰাৰ কোনো বৈধ কাৰণ নাই।এইটো উল্লেখ কৰাটো গুৰুত্বপূৰ্ণ যে উচ্চ ন্যায়ালয়ে গোচৰ এটা পুনৰীক্ষণ কৰাৰ ক্ষমতাক আপীল আদালতৰ দৰে ব্যৱহাৰ কৰিব নালাগে। শেহতীয়াকৈ কলিকতাৰ পৰা এটা অপ্ৰকাশিত গোচৰত ভাৰতৰ উচ্চতম ন্যায়ালয়ে পুনৰীক্ষণ কৰাৰ ক্ষমতাক আপীল আদালতৰ দৰে ব্যৱহাৰ কৰা প্ৰথাত অসন্মতি প্ৰকাশ কৰা দেখা গৈছে। এই কথা বুজিবলৈ মিত্ৰৰ 'ফৌজদাৰী কাৰ্য্যবিধি' নৱম সংস্কৰণৰ পৃষ্ঠা ১২০০-১২০৩ চাব পাৰি। ইয়াত বিভিন্ন উচ্চ ন্যায়ালয়ৰ বহুতো দৃষ্টান্ত আছে য'ত এটা সাধাৰণ প্ৰথা পৰ্যবেক্ষণ কৰা হয় – উচ্চ ন্যায়ালয়ে সাধাৰণতে বিশেষ পৰিস্থিতি বা নিৰ্দিষ্ট আইনী ভুলৰ বাবে বাধ্য নহ'লে সাক্ষ্যপ্ৰমাণ পৰীক্ষা কৰাটো এৰাই চলে।

"এটা গোচৰ পুনৰীক্ষণ কৰাৰ সময়ত কোনো তথ্যভিত্তিক সিদ্ধান্ত বাতিল বা সলনি কৰাটো অস্বাভাৱিক যদিহে ই চকুত পৰাকৈ ভুল নহয় আৰু ন্যায় প্ৰক্ৰিয়া অটুত ৰাখিবলৈ ইয়াক সংশোধন কৰাটো অতি প্ৰয়োজনীয়। ('সম্ৰাট বনাম বুৰনচাহেব হাছানচাহেব, ৬ বম এল আৰ ১০৯৬; 'দুলিচান্দ বনাম সম্ৰাট', ১৮ ক্ৰি. এল জে ৪৩৭, 'সম্ৰাট বনাম শ্বিড়ু', ২৯ ক্ৰী এল জে ৯৩৬; 'সম্ৰাট বনাম বাংকত্ৰম', ২৮ বম ৫৩৩; 'হিৰাণন্দ বনাম সম্ৰাট', ১৭ এছ এল আৰ ২৪৫, 'ভুনেশ্বৰী পৰছাদ বনাম সম্ৰাট', এ আই আৰ (১৮) ১৯৩১ অউধ ১৭২; 'হাজী জন মহোমদ বনাম সম্ৰাট', এ আই আৰ (২২) ১৯৩৫ সিন্দ ১০৫।) সাধাৰণতে, এটা পুনৰীক্ষণত, উচ্চ ন্যায়ালয়ে কোনো বাস্তৱিক বিষয়ৰ সন্দৰ্ভত নিম্ন আদালতে একেলগে পোৱা সিদ্ধান্তসমূহ পুনৰ পৰীক্ষা নকৰে বা প্ৰত্যাহ্বান জনায়।('মাৰুথায়ী বনাম আপ্পাভু পিল্লাই', এআইআৰ (১০) ১৯২৩মেড ২৩৭, এআইআৰ (২২) ১৯৩৫ চিণ্ড ১০৫।) উচ্চ ন্যায়ালয়ে সাধাৰণতে নিম্ন আপীল আদালতৰ সিদ্ধান্তক সঠিক বুলি গ্ৰহণ কৰাৰ প্ৰতিষ্ঠিত প্ৰথা অনুসৰণ কৰে, যদিহে সেই তথ্যসমূহৰ ভিত্তি অবৈধ সাক্ষ্যপ্ৰমাণ নহয় বা সেইবোৰ স্পষ্টভাবে আসোৱাহপূৰ্ণ। ('সম্ৰাট বনাম লুকমান', ২১ সিন্ধ এল আৰ ১০৭, 'আল্লাহবাক্স খান বনাম সম্ৰাট', ২৩ চিণ্ড এল আৰ ২১৬।) যেতিয়া আপীল আদালতে সাক্ষ্য সযতনে বিবেচনা কৰিছে আৰু সাক্ষ্যপ্ৰমাণৰ কোনো প্ৰাসংগিক বা গুৰুত্বপূৰ্ণ অংশ বিবেচনা কৰিবলৈ বাদ দিয়া নাই, তেতিয়া উচ্চ ন্যায়ালয়ে হস্তক্ষেপ নকৰে। ('পট্টো কুমাৰী বনাম উপেন্দ্ৰ নাথ', ৪ পেট এল জৌৰ ২৬৫)। উচ্চ ন্যায়ালয়ে প্ৰমাণসমূহ পৰ্যালোচনা কৰাৰ পিছত হয়তো বেলেগ সিদ্ধান্তত উপনীত হ'লহেঁতেন বুলি কোৱাটোৱেই এনে ব্যৱস্থাৰ বাবে যথেষ্ট কাৰণ বুলি গণ্য কৰা নহয় ('কুইন সম্ৰাজ্ঞী বনাম মগনলাল এণ্ড মটিলাল, ১৪ বম ১১৫)।"

৩৬) আৰম্ভণিতে মই লক্ষ্য কৰিব বিচাৰিছো যে নিম্ন আপীল আদালতত দাখিল কৰা আপীল স্মাৰকপত্ৰত দণ্ডাধীশৰ সন্‌মুখত হোৱা বিচাৰ অবৈধ নে অনিয়মিত আছিল সেই বিষয়ে কোনো উল্লেখ বা বিবেচনা কৰা হোৱা নাছিল। ইয়াৰ উপৰিও গাওঁবুঢ়াই লিখা চিঠিখনৰ ব্যাখ্যা দিয়া অভিযোগকাৰীৰ বক্তব্য তদন্তৰ সময়ত লিপিবদ্ধ কৰা হৈছিল বুলি যুক্তিৰ ভিত্তিত দোষী সাব্যস্ত হোৱাৰ শুদ্ধতাক কোনো প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল। এই দুটা কথা মোৰ সহকৰ্মী ন্যায়াধীশে নিজৰ বিচাৰৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰিছিল। তদুপৰি বিচাৰ আদালতত গোচৰ চলি থকাৰ সময়ত এই দুটা বিষয় উত্থাপন হোৱা নাছিল যেন লাগে।

৩৭) নিম্ন আদালতত উত্থাপন বা আলোচনা নকৰা দৃষ্টিভংগীৰ ভিত্তিত আমি এই গোচৰত সাক্ষ্যপ্ৰমাণৰ মূল্যায়নক হস্তক্ষেপ কৰি প্ৰত্যাহ্বান জনাব লাগে বুলি বিশ্বাস কৰাটো মোৰ বাবে কঠিন।মোৰ বিদ্বান সহকৰ্মী ন্যায়াধীশে মানি ল'বলৈ অস্বীকাৰ কৰিছে যে নিশা ২ বজাত টোপনিৰ পৰা জগাই তোলা গাঁওবুঢ়াজন মাথোঁ চিন্তিত আছিল যে অভিযোগকাৰীৰ ঘৰত আটক কৰি বন্দী কৰি ৰখা বাপুৰামৰ দায়িত্ব আৰক্ষীয়ে তৎক্ষণাত ল'ব লাগে, এই ভিত্তিত যে সেয়া নিম্ন আদালতত গোচৰীয়া পক্ষই দিয়া ব্যাখ্যা নাছিল। কিন্তু সেইটো মই গাঁওবুঢ়াৰ চিঠিখনত বাদ পৰাৰ অতি সঠিক ব্যাখ্যা বুলি বিবেচনা কৰোঁ ।স্পষ্টভাৱে নিম্ন আদালতত এই বাদ দিয়াৰ কোনো ব্যাখ্যা দিয়াৰ কোনো প্ৰয়োজনীয়তা নাছিল কাৰণ সেই কাৰ্য্যবিধিৰ সময়ত ইয়াক উল্লেখযোগ্য বিষয় হিচাপে উত্থাপন কৰা হোৱা নাছিল। এতিয়াহে আমাৰ বিচাৰৰ সময়ত চিঠিখনত বাদ পৰা কথাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু ইয়াৰ প্ৰতি সঁহাৰি জনাই বিদ্বান চৰকাৰী অধিবক্তাই উত্থাপিত উদ্বেগসমূহৰ প্ৰতি লক্ষ্য ৰাখি সন্তোষজনক ব্যাখ্যা আগবঢ়াইছে।

৩৮) এই গোচৰৰ FIR ২টা ভাগত গঠিত আছিল: (১) গাঁওবুঢ়াৰ লিখা এখন চিঠিত কোৱা হৈছে যে ঘটনাৰ নিশা এজন চোৰে অভিযোগকাৰীৰ ঘৰত বেৰ ভাঙি প্ৰৱেশ কৰিছিল; তেওঁ তেওঁক ধৰি জিম্মাত ৰাখিছিল; আন এজন চোৰ পলাই গ'ল। গাঁওবুঢ়াই এই চিঠি লিখাৰ সময়ত ৬ জন অন্য ব্যক্তিও উপস্থিত আছিল, যাৰ ভিতৰত আছিল গোচৰীয়া পক্ষৰ ২ আৰু ৩ নম্বৰ সাক্ষী; বাকী ৪ জন ব্যক্তিক সোধ-পোছ কৰা হোৱা নাছিল। (২) পিছদিনা পুৱা ৮ বজাত যেতিয়া অভিযোগকাৰীয়ে এই চিঠিখন আৰক্ষী থানালৈ লৈ যায়, তেতিয়া ভাৰপ্ৰাপ্ত বিষয়াজনে তেওঁক কিছুমান প্ৰশ্ন সুধি উত্তৰবোৰ লিপিবদ্ধ কৰিলে। তেওঁৰ উত্তৰত অভিযোগকাৰীয়ে আবেদনকাৰীক তেঁওৰ ঘৰত বেৰ ভাঙি সোমোৱা মানুহবিলাকৰ ভিতৰত এজন বুলি উল্লেখ কৰে। অভিযোগকাৰীয়ে ভাৰপ্ৰাপ্ত বিষয়াক দিয়া উত্তৰবোৰ মোৰ মতে FIRৰ প্ৰথম খণ্ড আৰু ইয়াক কোনো আৰক্ষী বিষয়াক দিয়া বক্তব্য হিচাপে গণ্য কৰিব নোৱাৰি। ফৌজদাৰী কাৰ্য্যবিধিৰৰ পঞ্চম খণ্ডৰ শিৰোনাম "আৰক্ষীলৈ তথ্য আৰু তেওঁলোকৰ তদন্তৰ ক্ষমতা ("Information to the Police and their Powers to investigate.)।" ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৪ নং ধাৰাত বিচাৰযোগ্য গোচৰৰ ক্ষেত্ৰত এফআইআৰ লিখাৰ বিষয়ে আলোচনা কৰা হৈছে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৫ নং ধাৰাত ভাৰপ্ৰাপ্ত বিষয়াই কোনো অ-বিচাৰযোগ্য গোচৰৰ তথ্য লাভ কৰাৰ সময়ত তেঁওৰ ক্ষমতাৰ বিষয়ে আলোচনা কৰা হৈছে। থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ তদন্ত আৰম্ভ হয় যেতিয়া তেওঁ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৫ নং ধাৰাৰ অধীনত কোনো বিচাৰযোগ্য গোচৰত তদন্তৰ সিদ্ধান্ত লয়। তেতিয়ালৈকে তদন্ত আৰম্ভ হোৱা বুলি ক'ব নোৱাৰি। ভাৰপ্ৰাপ্ত বিষয়াই অভিযোগকাৰীক সোধা প্ৰশ্নৰ পৰা মোৰ বাবে স্পষ্ট হৈছে যে ভাৰপ্ৰাপ্ত বিষয়াই অভিযোগকাৰীৰ ওচৰত

প্ৰশ্ন উত্থাপন কৰাৰ সময়ত তদন্তৰ সিদ্ধান্ত লোৱা নাছিল। ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাত তদন্তৰ সময়ত আৰক্ষী বিষয়াসকলক দিয়া বক্তব্যৰ বিষয়ে উল্লেখ কৰা হৈছে। মোৰ মতে “তদন্তৰ কালছোৱাত” শব্দটোৰ অৰ্থ হ’ল আৰক্ষী বিষয়াই ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৬ নং ধাৰাত অনুসন্ধান কৰাৰ সিদ্ধান্ত লোৱাৰ পিছৰ তদন্তৰ কালছোৱা। যেতিয়ালৈকে তেওঁ এনে সিদ্ধান্ত গ্ৰহণ নকৰে, তেতিয়ালৈকে এফআইআৰৰ স্পষ্টীকৰণৰ বাবে প্ৰশ্ন আৰু উত্তৰ লিপিবদ্ধ কৰাকে ধৰি ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৪ আৰু ১৫৫ নং ধাৰাত তেওঁ লোৱা ব্যৱস্থাক তদন্তৰ কালছোৱাত কৰা কোনো কাম বুলি গণ্য কৰিব নোৱাৰি।

৩৯) মন কৰিবলগীয়া যে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৫৪ নং ধাৰাত প্ৰথম তথ্যদাতাই যি প্ৰতিবেদন প্ৰস্তুত কৰে তাত তেঁও স্বাক্ষৰ কৰিব লাগিব, আনহাতে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাত তেওঁ দিয়া বক্তব্যত তেঁও স্বাক্ষৰ কৰিব নালাগে। এই গোচৰত আৰক্ষী বিষয়াজনে মাত্ৰ গাওঁবুঢ়াই লিখা চিঠিখন স্পষ্টভাবে বাখ্যা কৰিছিল। গতিকে অভিযোগকাৰীয়ে স্বাক্ষৰ কৰা জবানবন্দীত যিটো কথা কৈছিল, সেয়া এফআইআৰৰ অংশ আৰু এই গোচৰৰ পৰিস্থিতিত তদন্তৰ কালছোৱাত দিয়া জবানবন্দী হিচাপে গণ্য কৰিব নোৱাৰি। মই নাভাবো যে ফৌজদাৰী কাৰ্য্যবিধিৰ কোনো ব্যৱস্থা আছে যিয়ে এজন আৰক্ষী বিষয়াই গোচৰটোক চিনাক্তকৰণযোগ্য অপৰাধ হিচাপে তদন্ত কৰিব লাগে নে নাই সেইটো সিদ্ধান্ত লোৱাৰ আগতে প্ৰথম তথ্যদাতাক প্ৰশ্ন উত্থাপন কৰি তেওঁৰ উত্তৰ লিপিবদ্ধ কৰাত বাধা দিয়ে।

৪০) চৰকাৰৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান চৰকাৰী অধিবক্তাজনে মোৰ মতে সঠিকভাৱে যুক্তি দিছিল যে ৰাতিপুৱা ২ বজাত টোপনিৰ পৰা সাৰ

পোৱা গাঁওবুঢ়াই এখন অতি চুটি চিঠি লিখিছিল কেৱল এই কথাটোৰ বিষয়েহে যে ধৰা পৰা এজন ব্যক্তি অৰ্থাৎ বাপৰামক, যাক আটক কৰি ৰখা হৈছিল, পলম নকৰাকৈ আৰক্ষীয়ে লৈ যাব লাগে। এই গোচৰৰ পৰিস্থিতিৰ পৰা এইটো যথেষ্ট যুক্তিসংগতভাবে অনুমান কৰিব পাৰি। গাওঁবুঢ়াক এই সন্দৰ্ভত প্ৰশ্ন কৰা নহ'ল বাবে কোনো বিষেশ প্ৰভাব পৰিছে বুলি মই নাভাবো। গাওঁবুঢ়াৰ চিঠিখন আৰু চিঠিখনৰ স্পষ্টীকৰণত অভিযোগকাৰীয়ে দিয়া উত্তৰবোৰ যদি একেলগে বিবেচনা কৰা হয়, তেন্তে এনে লাগে যেন গোচৰটোৰ সমল/সাক্ষ্য পৰৱৰ্তী পৰ্য্যায়ত বিকৃত কৰা হৈছে। নিম্ন আদালত দুখনে অভিযোগকাৰীৰ সাক্ষ্য আৰু অন্যান্য সমৰ্থনকাৰী সামগ্ৰী যেনে এফ.আই.আৰকে ধৰি প্ৰমাণসমূহ পৰীক্ষা কৰি নিৰ্ণয় কৰিছে যে অভিযুক্ত ব্যক্তিজনে (আবেদনকাৰীয়ে) সঁচাকৈয়ে অভিযোগ উত্থাপিত অপৰাধটোত অংশগ্ৰহণ কৰিছিল।

৪১) মোৰ বিদ্বান সহকৰ্মী ন্যায়াধীশে গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী মিঠাৰাম আহোমৰ সাক্ষ্য এই কাৰণে মানি লোৱা নাই যে মিঠাৰামে তেঁওৰ সাক্ষ্যত কোৱা নাছিল যে তেঁও গাঁওবুঢ়াক কৈছিল যে তেঁও......(ৰায়দানৰ মূল পাঠ্যত নাই)........নিজে। সাক্ষীৰ সাক্ষ্যৰ বিশ্বাসযোগ্যতাৰ বিষয়ে আদালতত দিয়া প্ৰমাণৰ ভিত্তিত সিদ্ধান্ত ল'ব লাগে আৰু যদিও কোনো গুৰুত্বপুৰ্ণ বিষয় আগৰ সাক্ষ্যত বাদ দিয়াৰ বিষয়ে বিৱেচনা কৰিব পাৰি, এই ক্ষেত্ৰত বাদ পৰা কথাতো মই গুৰুতৰ বুলি নাভাবো। নিম্ন আদালতসমূহে গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষীৰ সাক্ষ্য সঠিক বুলি গ্ৰহণ কৰিছে আৰু মই ইয়াক নাকচ কৰাৰ কোনো কাৰণ দেখা নাই। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী গুণাৰাম অভিযোগকাৰী আৰু গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী মিথাৰাম

তেওঁৰ পিতৃ। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী আৰু গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষীয়ে গাঁওবুঢ়াক আনিবলৈ গৈছিল। দুয়োজনে আদালতত কয় যে আবেদনকাৰীজন পলাই গৈছিল আৰু তেওঁলোকে আন অভিযুক্তক কৰায়ত্ব কৰাত সফল হৈছিল। মোৰ বিদ্বান সহকৰ্মী ন্যায়াধীশে গোচৰীয়া পক্ষৰ ৫ আৰি ৬ নম্বৰ সাক্ষীৰ সাক্ষ্যক বিশ্বাস কৰা নাই এই কাৰণে যে যদি তেওঁলোকৰ সাক্ষ্যপ্ৰমাণ সঁচা হ'লহেঁতেন, তেন্তে গাঁওবুঢ়াই তেওঁৰ চিঠিত আবেদনকাৰীৰ নাম উল্লেখ কৰিলেহেঁতেন। মোৰ মতে নিম্ন আদালতসমূহে চিঠিখনত বাদ পৰা কথাটোক কোনো গুৰুত্ব নিদিয়াটো সঠিক আছিল, যেতিয়া অভিযোগকাৰীয়ে থানাত উপস্থিত হোৱাৰ লগে লগে আবেদনকাৰীক জড়িত কৰিছিল। মই এই কথাত একমত হ'ব নোৱাৰো যে, গাঁওবুঢ়াই যেতিয়া চিঠিখন লিখিছিল, তেতিয়া তেঁও ২য় অপৰাধীৰ নাম, যদি কোনো আছিল, সেইটো নাজানিছিল বুলি ভবাতো এটা নিখুঁত বৈধ অনুমান। নিম্ন আদালতসমূহে সেই অনুমানৰ ওপৰত ভিত্তি কৰা নাই আৰু মই নিজেও ইয়াক এই গোচৰৰ তথ্যৰ ওপৰত সঠিকভাৱে কৰিব পৰা এক অনুমান বুলি নাভাবো।

৪২) সেয়েহে মই নাভাবো যে প্ৰিভি কাউন্সিলৰ লৰ্ডশ্বিপে এআইআৰ (৩২) ১৯৪৫ পি.চি. ১৮ ত কৰা পৰ্যবেক্ষণসমূহ এই গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। গোচৰটোত অপ্ৰয়োজনীয় বা অতিৰঞ্জিত বিৱৰণ বা উপাদান যোগ কৰাৰ কোনো উদাহৰণ নাই। নিঃসন্দেহে অনুপ্ৰৱেশকাৰীৰ সংখ্যা ২ জন হোৱাৰ কথা গাঁওবুঢ়াৰ পত্ৰত উল্লেখ কৰা হৈছিল, এজনক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু নাম উল্লেখ কৰা হৈছিল আৰু আনজনৰ নাম অভিযোগকাৰীয়ে গাঁওবুঢ়াৰ চিঠিখন লৈ থানালৈ অহাৰ লগে লগে উল্লেখ

কৰিছিল। অপৰাধ সংঘটিত হোৱা আৰু F.I.R.ৰ ৰেকৰ্ডিঙৰ মাজৰ ব্যৱধান আছিল মাত্ৰ ৬ ঘণ্টা; এই বিষয়ে অভিযোগ কৰা হোৱা নাই যে গোচৰীয়া পক্ষৰ সাক্ষীসকলে আবেদনকাৰীক মিছাকৈ জড়িত কৰিবলৈ কোনো সময় বা সুযোগ পাইছিল। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষীৰ জেৰাত এনে এটা পৰামৰ্শ অন্তৰ্ভুক্ত কৰা হৈছিল যিয়ে সাক্ষ্য প্ৰমাণ বিকৃত কৰা হৈছিল বুলি ধাৰণাটোক প্ৰতিহত কৰিছিল। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষীৰ জেৰাৰ শেষৰ দফাটোত আবেদনকাৰী কচু গগৈয়ে কৈছিল যে বাপুৰামে অভিযোগকাৰীৰ ভনীয়েক জেতুকীৰ লগত কিবা এটা পৰিকল্পনা কৰি আছিল আৰু বাবুৰাম সেই নিশা কচুৰ ঘৰত আলহী আছিল আৰু অভিযোগকাৰীৰ ভনীয়েকে কচুৰ ঘৰত বাপুৰামক চাবলৈ গৈছিল আৰু তাৰ পৰা অভিযোগকাৰীয়ে তাইক লৈ গৈছিল। এই কথা অভিযোগকাৰীয়ে অস্বীকাৰ কৰে। এই কথা অস্বীকাৰ কৰা হোৱা নাই যে কচু নামৰ ব্যক্তিজন নিৰ্দিষ্ট দিনা নিশা বাপুৰামৰ লগত আছিল আৰু তেওঁলোক কিবা কাৰণত একেলগে আছিল। নিম্ন আদালতে সিদ্ধান্ত ল'বলগীয়া মূল প্ৰশ্নটো আছিল যে সেই নিশা কচু বাপুৰামৰ লগত থকাৰ কাৰণটো গোচৰীয়া পক্ষই কৰা দাবীৰ সৈতে মিল আছে নেকি? আদালতে বিবেচনাৰ অন্তত এই সিদ্ধান্তত উপনীত হৈছে যে উদ্দেশ্যটো সঁচাকৈয়ে গোচৰীয়া পক্ষই কোৱাৰ দৰেই আছিল। একেধৰণৰ ধাৰণা বা দাবী জেৰাৰ সময়ত গোচৰীয়া পক্ষৰ ২ নম্বৰ সাক্ষীৰ ওচৰত উপস্থাপন কৰা হৈছিল আৰু তেওঁ সেই কথা নাকচ কৰিছিল বা অস্বীকাৰ কৰিছিল।

৪৩) গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষী, যি আবেদনকাৰী কচুৰ খুড়াক, তেঁওৰ সাক্ষ্য অতি তাৎপৰ্যপূৰ্ণ। গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীয়ে স্বীকাৰ কৰিছে যে যেতিয়া তেঁও ঠিক সেই নিশাই চিঞৰ শুনি অভিযোগকাৰীৰ ঘৰলৈ গৈছিল, অভিযোগকাৰীয়ে তেওঁক কৈছিল যে কচুৱে বেৰৰ এক অংশ কাটি

পলাই যোৱাত সফল হৈছিল। এই বিষয়ে গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীক জেৰা কৰা হোৱা নাছিল। সেয়েহে নিম্ন আদালতসমূহে আবেদনকাৰীৰ খুড়াকৰ সাক্ষ্যপ্ৰমাণক সৰ্বাধিক গুৰুত্ব দিছিল। মোৰ মতে অভিযোগকাৰী আৰু তেওঁৰ সাক্ষী থানালৈ যোৱাৰ আগতে অভিযোগকাৰীয়ে আবেদনকাৰীক ঘটনাৰ সৈতে জড়িত কৰা বুলি তেওঁৰ সাক্ষ্যপ্ৰমাণ নিম্ন আদালতে সঠিকভাৱে গ্ৰহণ কৰিছিল। মোৰ মতে গোচৰীয়া পক্ষৰ ৩ নম্বৰ সাক্ষীৰ সাক্ষ্যই এই কথাটো সম্পুৰ্ণভাবে নাকচ কৰে যে অভিযোগকাৰী আৰু তেওঁৰ সাক্ষীসকল থানালৈ যোৱাৰ সময়ত আবেদনকাৰীক চিনাক্ত কৰা হোৱা নাছিল। গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী, গাঁওবুঢ়াই, যিয়ে চিঠিখন লিখিছিল, সাক্ষ্যত উল্লেখ কৰিছে যে অভিযোগকাৰীয়ে তেওঁক কৈছিল যে কচু পলাই যোৱাত সফল হৈছে। তেওঁ পত্ৰখনত আবেদনকাৰীৰ নাম উল্লেখ কৰাটো বাদ দিছিল যদিও নিম্ন আদালতসমূহে এই প্ৰমাণ গ্ৰহণ কৰাৰ অধিকাৰ আছিল। আবেদনকাৰীৰ নাম কিয়-চিঠিখনৰ পৰা বাদ দিয়া হ'ল সেই বিষয়ে এই সাক্ষীজনক কোনো প্ৰশ্ন সোধা হোৱা নাছিল। গোচৰীয়া পক্ষৰ ৫ আৰু ৬ নম্বৰ সাক্ষীৰ সাক্ষই গোচৰীয়া পক্ষৰ যুক্তিক সমৰ্থন কৰিছে আৰু জেৰাৰ সময়ত তেঁওলোকৰ সাক্ষ্যক নাকচ কৰিব পৰা কোনো সমল মই পোৱা নাই। এইটো সঁচা যে গোচৰীয়া পক্ষৰ ৫ নম্বৰ সাক্ষী অভিযোগকাৰীৰ পিতৃ, কিন্তু তেওঁৰ সাক্ষ্য নাকচ কৰাৰ বাবে সেইয়া এক ভিত্তি হ'ব নোৱাৰে। তেঁওৱেই সেইজন ব্যক্তি আছিল যাৰ নিশা ঘৰত থকাৰ সম্ভাৱনা আছিল। মোৰ মতে নিম্ন আদালতে গোচৰীয়া পক্ষৰ সাক্ষ্য সঠিকভাৱে গ্ৰহণ কৰিছে আৰু ২ জন প্ৰতিপক্ষৰ সাক্ষীৰ প্ৰমাণ নাকচ কৰিছে।

৪৪) সেয়েহে আবেদনখন খাৰিজ কৰা হ'ল। আবেদনকাৰী কচু গগৈক জামিন দিব পৰা কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল

আৰু ইয়াৰ উপৰিও তেওঁক আগতে সম্পূৰ্ণ নোহোৱা শাস্তিৰ বাকী সময়ছোৱা কটাবলৈ নিৰ্দেশ দিয়া হ'ল। গোচৰত দিয়া আদেশ খাৰিজ কৰা হ'ল।

৪৫) (টোকা: দুয়োজন ন্যায়াধীশৰ মাজত এই মতানৈক্যৰ বাবে গোচৰটো তৃতীয়জন ন্যায়াধীশৰ ওচৰলৈ প্ৰেৰণ কৰা হৈছিল যিয়ে তলত দিয়া ধৰণে ৰায়দান দিছে):

৪৬) ন্যায়াধীশ ডেকা :— এইখন হৈছে কচু গগৈয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ৪৩৯ নং ধাৰাত দাখিল কৰা আবেদন। অতিৰিক্ত ন্যায়াধীশ, ইউ.এ.ডি. য়ে তেঁওক ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত দোষী সাব্যস্ত কৰি ৩ মাহৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা বিহিছিল আৰু জৰিমণা অনাদায়ে আৰু এমাহৰ বাবে সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰিছিল। এই আদালতৰ খণ্ড বিচাৰপীঠে আবেদনখনৰ ক্ষেত্ৰত শুনানি গ্ৰহণ কৰিছিল আৰু দুজন প্ৰিজাইডিং ন্যায়াধীশৰ মাজত থকা মতানৈক্যৰ বাবে, এইখন মোৰ সন্মুখত ফৌজদাৰী কাৰ্য্যবিধিৰ ৪২৯ নং ধাৰা অনুসৰি শুনানি আৰু নিষ্পত্তিৰ বাবে উত্থাপন কৰা হৈছে।

৪৭) গোচৰটো আছিল যে ১৯৪৮ চনৰ ২২ আগষ্টৰ নিশা বাপুৰাম আৰু কচু গগৈ নামৰ দুজন ব্যক্তিয়ে গুণাৰাম (গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী)ৰ ঘৰত অনাধিকাৰ প্ৰবেশ কৰিছিল। দুটা বাকচ সৰি পৰাৰ শব্দৰ বাবে গুনাৰামে সাৰ পাইছিল। সাৰ পাই গুনাৰামে চোৰ দুজনক ধৰিবলৈ প্ৰয়াস কৰিছিল যদিও ব্যক্তি দুজনে ঘৰত প্ৰৱেশ কৰিবলৈ বেৰত বনোৱা ফুটাটোৰে তেওঁক ঘৰৰ পৰা উলিয়াই আনিছিল।গুণাৰামে বাপুৰামক ধৰিবলৈ সক্ষম হৈছিল যদিও বৰ্তমানৰ আবেদনকাৰী কচু কোনোমতে পলাবলৈ সক্ষম হৈছিল।

৪৮) পিছদিনা ৰাতিপুৱা থানাত খবৰ দিয়া হয় যে যোৱা নিশা প্ৰায় ২ বজাত গুণাৰাম গগৈৰ ঘৰত বেৰ ভাঙি প্ৰৱেশ কৰি থকা অৱস্থাত এজন চোৰক ধৰি কৰায়ত্ব কৰা হৈছিল আৰু আন এজন চোৰ পলাই গৈছিল। এই তথ্য যিখন প্ৰতিবেদনৰ জৰিয়তে আৰক্ষীলৈ প্ৰেৰণ কৰা হৈছিল, সেইখন নগা গাওঁবুঢ়াই লিখিছিল আৰু স্বাক্ষৰ কৰিছিল। গোচৰীয়া পক্ষৰ ২, ৩ আৰু ৪ নম্বৰ সাক্ষীৰ বাদেও সেইখনত অন্য কিছুমান মানুহে স্বাক্ষৰ কৰিছিল। আৰক্ষী বিষয়াজনে প্ৰতিবেদনৰ দিবলৈ যোৱা গুণাৰামৰ পৰা আৰু কিছু তথ্য আহৰণ কৰিছিল (প্ৰদৰ্শক ১)। গুণাৰামে স্বীকাৰ কৰিছিল যে প্ৰশ্ন কৰা আৰক্ষী বিষয়াজনে তেঁওক আৰু কিছুমান প্ৰশ্ন কৰিছিল যিবোৰ প্ৰশ্ন আৰু উত্তৰ আৰক্ষী বিষয়াজনে FIR ত লিপিবদ্ধ কৰাৰ পিছত তেঁও তাত স্বাক্ষৰ কৰিছিল।

৪৯) গোচৰৰ তদন্ত সম্পূৰ্ণ কৰাৰ পিছত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত বাপুৰামৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে আৰু শিৱসাগৰৰ প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ শ্ৰীযুত এছ সৰকাৰে গোচৰটোৰ ক্ষেত্ৰত অপৰাধৰ স্বীকৃতি দিয়ে। বিদ্বান দণ্ডাধীশগৰাকীয়ে গোচৰীয়া পক্ষৰ দুজন সাক্ষীক পৰীক্ষা কৰি ২৫-১১-৪৮ তাৰিখৰ আদেশেৰে অভিযুক্ত কচু গগৈৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়ে আৰু আৰক্ষীয়ে সেই অনুসৰি অভিযুক্ত কচু গগৈৰ বিৰুদ্ধে ৪-১-৪৯ তাৰিখে অভিযোগনামা দাখিল কৰে।

৫০) প্ৰতিপক্ষৰ যুক্তিৰ বিষয়ে কবলৈ গ'লে, অভিযুক্ত বাপুৰামে কৈছিল যে তেঁও গুণাৰাম গগৈৰ প্ৰাপ্তবয়স্ক ভগ্নী জেটুকিৰ প্ৰেমত পৰিছিল আৰু ঘটনা সংঘটিত হোৱা নিশা জেটুকিক একেলগে পলায়ন কৰাৰ প্ৰস্তাৱ

দিছিল আৰু তেওঁ (বাপুৰাম) আচলতে ৰাতি কচুৰ ঘৰত অপেক্ষা কৰি আছিল জেতুকিৰ বাবে য'ত তেঁওলোকৰ পৰিকল্পনা অনুসৰি জেটুকি গৈছিল। গুণাৰামে অৱশ্যে অভিযুক্তৰ লগত যোৱাত ভগ্নীক বাধা দি তেওঁক (বাপুৰাম) টানি নিজৰ (গুণৰামৰ) ঘৰলৈ লৈ যায় য'ত অভিযোগকাৰী আৰু তেওঁৰ আত্মীয়ই তেওঁক অন্যায়ভাৱে আৱদ্ধ কৰি ৰাখিছিল আৰু তাৰ পিছত পিছদিনা তেওঁক আৰক্ষীৰ গতাই দিছিল। তেঁও সিন্ধি দিয়া কাহিনিটো সম্পুৰ্ণভাবে নাকচ কৰিছে। আনহাতে অভিযুক্ত কচুৱে কৈছিল যে তেঁও যে ১৯৪৮ চনৰ ২২ আগষ্টৰ নিশা ঘটনা সংঘটিত হোৱা স্থানত উপস্থিত নাছিল আৰু অভিযোগ কৰা অনুসৰি সেই নিশা গুণৰামৰ ঘৰত অনাধিকাৰ প্ৰবেশ কৰা নাছিল, সেই সম্বন্ধে তেঁওৰ সাক্ষ্যপ্ৰমাণ আছে। তেওঁ যুক্তি দিছিল যে গোচৰীয়া পক্ষৰ কিছুমান সাক্ষীয়ে তেওঁৰ বিৰুদ্ধে থকা ক্ষোভৰ বাবেহে তেঁওক ঘটনাৰ সৈতে জড়িত কৰিছিল।

৫১) কচু গগৈ আৰু বাপুৰাম গগৈ দুয়োৰে বিৰুদ্ধে এটা শুনানী হৈছিল। বিচাৰ আদালতে দুয়োজনকে ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত দোষী সাব্যস্ত কৰি প্ৰত্যেককে ৩ মাহৰ সশ্ৰম কাৰাদণ্ড আৰু ২০০ টকাকৈ জৰিমনা বিহা আৰু জৰিমনা অনাদায়ে ২ মাহৰ অতিৰিক্ত সশ্ৰম কাৰাদণ্ড বিহে। আপীলত, বিদ্বান অতিৰিক্ত ন্যায়াধীশ, উচ্চ অসম জিলা, ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত অভিযুক্ত প্ৰতিজন ব্যক্তিৰ দোষী সাব্যস্তকৰণ নিশ্চিত কৰে কিন্তু জৰিমনা ৫০ টকালৈ হ্ৰাস কৰে আৰু জৰিমনা অনাদায়ে এমাহৰ অতিৰিক্ত সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰি কাৰাদণ্ডৰ সময়সীমা বাহাল ৰাখে।

৫২) পুনৰীক্ষণত মোৰ সন্মুখত উত্থাপিত বিষয়সমূহ হ'ল:

(১) বিচাৰ দণ্ডাধীশে অনুসৰণ কৰা পদ্ধতিটো অনিয়মিত আছিল কাৰণ ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰাত বিধানসমূহ বিচাৰধীন দণ্ডাধীশে প্ৰয়োগ কৰা নাছিল যদিও তেওঁ ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১৯০(১) (গ) ধাৰাৰ অধীনত গোচৰৰ স্বীকৃতি দিছিল।

(২) বিদ্বান অতিৰিক্ত ন্যায়াধীশে এই কথাটো বিবেচনা কৰাত ব্যৰ্থ হ'ল যে ঘটনা সংঘটিত হোৱাৰ পিছতে স্থানীয় গাঁওবুঢ়াই থানালৈ প্ৰেৰণ কৰা এফআইআৰত কচু গগৈৰ নামৰ উল্লেখ কৰা হোৱা নাছিল;

(৩) নিম্ন আদালতে গোচৰৰ অন্তৰ্নিহিত অসম্ভৱতা আৰু অৰ্থহীনতাক বিবেচনা কৰাত ব্যৰ্থ হৈছিল আৰু ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ নং ধাৰাত আবেদনকাৰীক দোষী সাব্যস্ত কৰাৰ উদ্দেশ্যে তেঁওৰ বিৰুদ্ধে প্ৰমাণ অতি ক্ষুদ্ৰ আছিল।

৫৩) দুয়োপক্ষৰ যুক্তি শুনি মই মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশ ৰাম লভয়া ডাঙৰীয়াৰ মতামত পঢ়িলোঁ, যিসকলে আইনী পদ্ধতি আৰু গোচৰৰ তথ্য দুয়োটাতে মতানৈক্য প্ৰকাশ কৰিছিল। মুখ্য ন্যায়াধীশে ৰায় দিয়ে যে ইয়াত ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা প্ৰযোজ্য নহয়; বৰঞ্চ, গোচৰটো ফৌজদাৰী কাৰ্য্যবিধিৰ (১৯০(১)(খ))ৰ অধীনত বিবেচনা কৰা হৈছিল। মুখ্য ন্যায়াধীশগৰাকীৰ মতে সাধাৰণতে উচ্চ ন্যায়ালয়ে সাক্ষ্যপ্ৰমাণ পুনৰ পৰীক্ষা কৰাটো এৰাই চলিব লাগে যদিহে আপীল আদালতে ইতিমধ্যে ইয়াৰ ভিত্তিত সিদ্ধান্ত লৈছে। কিন্তু অন্যায় হোৱাৰ পৰা বিৰত হ'বলৈ বিশেষ গোচৰত ব্যতিক্ৰম কৰিব পাৰি।সাধাৰণ নিয়ম থকাৰ পিছতো মুখ্য

ন্যায়াধীশে সাক্ষ্যপ্ৰমাণসমূহ পৰ্যালোচনা কৰিছিল আৰু গোচৰৰ তথ্যৰ ওপৰত নিম্ন আপীল আদালতৰ সিদ্ধান্তৰ সৈতে সন্মত হৈছিল।

৫৪) ন্যায়াধীশ ৰাম লভয়া ডাঙৰীয়াই এই কথাত একমত নহয় কাৰণ তেওঁ ভাবে যে বিচাৰ আদালতে কচু গগৈৰ বিৰুদ্ধে গোচৰটোত সঠিক পদ্ধতি অনুসৰণ কৰা নাছিল। তেওঁৰ মতে দণ্ডাধীশে বেলেগ ধাৰা (১৯০(১)(গ))ৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা সঠিকভাৱে পালন কৰা হোৱা নাছিল। ন্যায়াধীশ ৰাম লভয়াই সাক্ষ্যপ্ৰমাণ চাই বিশ্বাস কৰে যে কচুৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ ধাৰাত উত্থাপিত অভিযোগ সেইয়া প্ৰমাণ কৰিবলৈ যথেষ্ট নহয়। তেওঁৰ মতে কচুক দোষমুক্ত কৰা উচিত। দুয়োটা ৰায় সন্মানেৰে পঢ়ি মুখ্য ন্যায়াধীশৰ কথাত একমত হৈছো। ইয়াত ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯১ নং ধাৰা প্ৰযোজ্য নহয় আৰু সাক্ষ্যপ্ৰমাণসমূহ আমি নিজেই পুনৰ পৰীক্ষা কৰাটো উচিত নহ'ব। নিম্ন আদালতৰ সিদ্ধান্তক আইনগতভাৱে প্ৰত্যাহ্বান জনোৱা হোৱা নাই। ন্যায়াধীশসকলে বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰিছে গতিকে সেইবোৰৰ বিষয়ে বিতংভাৱে আলোচনা নকৰো।

৫৫) মই বিশ্বাস কৰোঁ যে এআইআৰ (৮) ১৯২১ বম ৩৬৫ত ৰিপ'ৰ্ট কৰা 'গুণ্ডো চিক্কো বনাম সম্ৰাট' গোচৰটো এই গোচৰৰ দণ্ডাধীশে যে ফৌজাদাৰী কাৰ্য্যবিধিৰ ১৯০(১)(খ) ধাৰা অনুসৰি গোচৰৰ স্বীকৃতি দিছিল আৰু ধাৰা ১৯০(১)(গ)ৰ অধীনত স্বীকৃতি দিয়া নাছিল, সেইয়া এক নিৰ্ভৰযোগ্য উল্লেখ নহয়। '৪ চি ডব্লিউ এন ৩৬৭' আৰু '৮ চি ডব্লিউ এন ৮৬৪', সেই মতামতক সমৰ্থন কৰে। অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰাৰ সিদ্ধান্ত লোৱাৰ আগতে বম্বে গোচৰৰ দৰে

দণ্ডাধীশে হয়তো বিশেষ সাক্ষ্যপ্ৰমাণ শুনা নাছিল। বৰঞ্চ দণ্ডাধীশে দুজন গোচৰীয়া পক্ষৰ সাক্ষীৰ Examination-in-Chief গ্ৰহণ কৰি তাৰ পিছত অভিযুক্তৰ হাজিৰ হোৱাৰ পিছত নতুনকৈ (ডি ন'ভ') বিচাৰ আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছিল। ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৫১ ধাৰাৰ অধিনত আদালতৰ কোনো অপৰাধৰ স্বীকৃতি ল'বলৈ ব্যাপক ক্ষমতা আছে যদিহে সাক্ষ্যপ্ৰমাণৰ পৰা এনে ব্যক্তিয়ে কোনো অপৰাধ কৰা দেখা যায় যিজনক প্ৰথমে মাতি অনা বা গ্ৰেপ্তাৰ কৰা হোৱা নাছিল আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ২০৪ নং ধাৰাত দণ্ডাধীশও তেওঁ কৰা ধৰণে কাম কৰাৰ বাবে পৰ্যাপ্ত অধিকাৰপ্ৰাপ্ত। গোচৰৰ সমলৰ পৰা এইটো নিৰ্ধাৰণ কৰিব নোৱাৰি যে এই বিষয়ত ফৌজদাৰী কাৰ্য্যবিধিৰ ৫৫৬ নং ধাৰাটো প্ৰযোজ্য আছিল বা দণ্ডাধীশে ন্যায়াধীশ আৰু অধিবক্তা হিচাপেও কাম কৰিছিল। নতুন অভিযোগনামা অনুমোদিত আৰু সেই অভিযোগনামাৰ ভিত্তিত গোচৰৰ স্বীকৃতি লোৱা হৈছিল। গোস্বামী ডাঙৰীয়াই তেওঁ যি দৃষ্টিভংগীৰ পক্ষপাতী, তাৰ সপক্ষে কোনো যুক্তি মোক দেখুৱাব নোৱাৰিলে।

৫৬) গোচৰটোত আবেদনকাৰীৰ অধিবক্তা গোস্বামী ডাঙৰীয়াই উপস্থাপন কৰা দ্বিতীয়টো আইনী যুক্তি বা কথা সন্দৰ্ভত মোৰ মতামত হ'ল যে এজন আৰক্ষী বিষয়াই এফ.আই.আৰত উল্লেখ কৰা তথ্যসমূহ বৈধ বুলি ধৰিব নোৱাৰি যিহেতু সেইবোৰ সঠিকভাৱে বা পৰ্যাপ্তভাৱে প্ৰমাণিত হোৱা নাই । যিহেতু গোচৰীয়া পক্ষৰ ৪ নম্বৰ সাক্ষী নাগাৰাম গাঁওবুঢ়াই দাখিল কৰা প্ৰদৰ্শক ১ যথেষ্টভাৱে প্ৰমাণিত হৈছিল, সেয়েহে সেইটো অনুমোদিত । প্ৰতিবেদনখন নিঃসন্দেহে ৰহস্যময় আৰু ইয়াত কোনো অভিযুক্তৰ নাম প্ৰকাশ কৰা হোৱা নাই – যদিও গাঁওবুৰাই তেওঁৰ প্ৰতিবেদনত তেওঁলোকৰ

নাম লিখিবলৈ পৰ্যাপ্ত সুযোগ পাইছিল বুলি স্বীকাৰ কৰিছিল – ইয়াক তেওঁ ঘটনা সংঘটিত হোৱা ঠাইলৈ অহাৰ পিছত আৰু ৰাতিপুৱা প্ৰায় ৪ বজাত প্ৰেৰণ কৰা হৈছিল।

৫৭) উচ্চ ন্যায়ালয়ৰ গৰিষ্ঠসংখ্যকে এটা দৃষ্টিভংগী গ্ৰহণ কৰিছে যে গোচৰৰ সবিশেষ পৰীক্ষা বা পুনৰ বিবেচনাৰ বাবে উচ্চ ন্যায়ালয়ৰ কৰ্তৃত্ব সীমিত। ফৌজদাৰী কাৰ্য্যবিধিৰ ৪৩৯ নং ধাৰাত উত্থাপন কৰা পুনৰীক্ষণ আবেদনৰ সবিশেষৰ ওপৰত উচ্চ ন্যায়ালয়ে জড়িত হোৱাৰ পৰা বিৰত থাকিব লাগে। উচ্চ ন্যায়ালয়ে হস্তক্ষেপ কৰিব লাগে যদিহে নিম্ন আদালতৰ সিদ্ধান্ত বিবেচনা কৰিব নলগা প্ৰমাণৰ ওপৰত ভিত্তি কৰি লোৱা হৈছিল বা যদিহে ই স্পষ্টভাৱে ভুল আছিল। দুয়োখন নিম্ন আদালতে একেটা সিদ্ধান্তত উপনীত হৈছে যে গোচৰটোত অভিযুক্ত ব্যক্তিজন বাপুৰামৰ সৈতে জড়িত আছিল। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী আৰু আনবোৰ সাক্ষীয়ে বাপুৰামক ঘটনাস্থলীত আটক কৰি থৈছিল। গোচৰীয়া পক্ষৰ ১ নম্বৰ সাক্ষী গুণাৰামে অভিযুক্ত কচু তেওঁৰ ঘৰত প্ৰৱেশ কৰাৰ স্পষ্ট প্ৰমাণ দিছে। গোচৰীয়া পক্ষৰ ৬ নম্বৰ সাক্ষীিয়ে গুণাৰামৰ ভাষ্যক সমৰ্থন কৰি নিশ্চিত কৰে যে অভিযুক্ত কচুক তেওঁ সেই স্থানৰ পৰা পলায়ন কৰা দেখিছিল। কচু ঘৰত প্ৰৱেশ কৰাৰ প্ৰমাণ বৰ শক্তিশালী নহয়।অৱশ্যে ঘটনাৰ দিনা কচুৰ বাপুৰমৰ সৈতে সম্পৰ্ক আছিল বুলি প্ৰতিষ্ঠা কৰিব পৰাকৈ যথেষ্ট প্ৰমাণ পোৱা গৈছে। আনকি প্ৰতিপক্ষৰ সাক্ষীসকলেও এই সম্পৰ্ক কিছু পৰিমাণে স্বীকাৰ কৰে বা নিশ্চিত কৰে। বিদ্বান অতিৰিক্ত ন্যায়াধীশজনে কেৱল গুণাৰামৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰিলেও ন্যায়াধীশজনে স্পষ্টভাৱে ভুল কৰিছিল বুলি ক'ব নোৱাৰি আৰু তেওঁৰ সিদ্ধান্ত আইনগতভাৱে ভুল

নাছিল। মই এ গোস্বামী ডাঙৰীয়াৰ এই মতামত মানি ল’বলৈ সাজু যে কোনো বেলেগ আপীল আদালতে প্ৰমাণৰ প্ৰতি বেলেগ দৃষ্টিভংগী ৰাখিব পাৰে বুলি আশা কৰাটো যুক্তিসংগত। উচ্চ ন্যায়ালয়ৰ পুনৰীক্ষণৰ কৰ্তৃত্ব মূলতঃ আইনী দিশত সীমাবদ্ধ। এই পৰিস্থিতিত কোনো অস্বাভাৱিক কথা নাই আৰু আপীল আদালতে দিয়া বাস্তৱিক তথ্যত কোনো স্পষ্ট ভুল নাই। প্ৰমাণসমূহ পুনৰ পৰীক্ষা বা পুনৰ বিবেচনা কৰি নিম্ন আদালতে পোৱা সামঞ্জস্যপূৰ্ণ সিদ্ধান্তসমূহ উলংঘা বা বাতিল কৰাটো অনুচিত হ’ব। সেই অনুসৰি মই মাননীয় মুখ্য ন্যায়াধীশ মহোদয়ৰ লগত একমত যে ভাৰতীয় দণ্ডবিধিৰ ৪৫৭ নং ধাৰা অধীনত অভিযুক্তৰ দোষী সাব্যস্ত হোৱাটো বাহাল ৰাখিব লাগিব। মোৰ বোধেৰে এই অভিযুক্তজন কেৱল বাপুৰামৰ সহযোগী আছিল আৰু অভিযুক্তই কাৰাগাৰত কটাবলগীয়া সময়খিনি তেওঁ ইতিমধ্যে কটাবলগীয়া সময়সীমালৈ হ্ৰাস কৰি অভিযুক্তৰ ওপৰত আৰোপ কৰা জৰিমনাৰ লগতে বিকল্প শাস্তি (যদি আছে) বাহাল ৰাখিলো।

৫৮) মই সেই অনুসৰি নিৰ্দেশ দিওঁ যে অভিযুক্তই জৰিমনা ভৰিব লাগিব আৰু সেইখিনি পৰিশোধ কৰিলে তেওঁক জামিনত মুকলি কৰি দিয়া হ’ব আৰু অন্যথাই তেওঁ শাস্তি ভোগ কৰিব লাগিব।

৫৯) গোচৰ নিষ্পত্তি কৰা হ’ল।

৬০) দোষী সাব্যস্তকৰণ বাহাল ৰখা হ’ল; শাস্তিৰ ম্যাদ হ্ৰাস কৰা হ’ল।

অনুবাদক

মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়